Shri Kabir Chandra Roy Pradhni : – এতিয়া তাত খেতিয়ক সকলে কাম নকৰি বহি থাকিব লাগেনে কাম কৰিব লাগে ? সেইটো কথা আমাক জনাব লাগে।

Shri Lakshmi Prasad Goswami :— কি কৰিম ছাৰ, বানপানী আহি খেতি-মাটি নষ্ট কৰিলে। গতিকে Soil Testৰ ওপৰতহে নির্ভৰ কৰি কব পাৰিম।

Shri Shamsul Huda :—Result ওলাবলৈ কেই বছৰলাগিব ?

Shri Lakshmi Prasad Goswami :— এতিয়া পৰীক্ষাৰ কাম চলিয়ে আছে।

ShriAtul Chandra Goswami : - মাননীয় মন্ত্রী মহোদয়ে কৈছে যে, সেই অঞ্চলত খেতি কৰোৱাৰ কাৰণে তেখেতৰ উপায় নাই। আমাৰ মন্ত্রী মহোদয়ে এইটো কৰিব নোৱাৰেনে যে, যদি মাটি খিনি বেয়া হৈছে, তেনেকুৱা অন্য বৈজ্ঞানিক প্রণালী দিব নোৱাৰেনে যাতে মাটি খিনি আকৌ ভাল হয় ?

Shri Lakshmi Prasad Goswami :— মাটি খিনি কি প্রণালীৰে ভাল কৰিব পৰা হব, আৰু কি উপায়েৰে খেতি কৰিব পৰা হব, সেইটো চাবৰ কাৰণে মাটিখিনি পৰীক্ষা কৰি থকা হৈছে।

Re: Establishment of Petro-Chemical Industry in Assam

Shri Dulal Chandra Barua asked:

*215. Will the Minister-in-charge of Industries be pleased to state—

(a) Whether there a proposal for establisment of a petro-chemical industry in the State of Assam ?

(b) If so, when the Government propose to implement the said proposal ?

(c) If not, why ?

Shri Biswadev sarma (Minister, Industries) replied:

215. (a)—Yes.

(b)—An application by Assam Industrial Development Corporation, a Government of Assam undertaking, has been submitted to the Government of India for issue of a licence under Industries (Development and Regulation) Act. The licence has not been received as yet. Necessary steps for implementation will be taken up as soon as licence is obtained.

(c)—Does not arise.

Shri Dulal Chandra Barua—May I draw the attention of the hon'ble Minister to the newsitem published in the Assam Tribune wherein it has been stated by—

Shri Triguna Sen, Minister for Petroleum and Chemical, Govt. of India thia the licence is going to be issued for the establishment of Petro-Chemical industries in the State after due clearance ? May I know what are those clearances he meant ?

Shri Biswadev Sarma—How can I say whathe meant by clearance ? I am here in the Assembly and he is there in the Parliament. What he meant in Parliement-I can't say.

Sir, actual position is this. Govt. of India have asked us to finalise the foreign collaboration. Japanese experts who are already here are going to submit their feasibility report today and after the said report is finalised we shall approach the Govt. of India for licence.

Shri Dulal Chandra Barua-The feasibility report is being submitted by whom ?

Shri Biswadev Sarma—The Japan Consulting Institute. They are going to submit the report today.

Shri Sachan Ranjan Sarkar—What is the capital required initially for starting this industry ? And, how the Govt. proposes to arrange the capital ?

Shri Biswadev Sarma—I cannot say it often because the feasibility report is not with me. But I have said the other day that the total cost of the project would be about 18 crores.

Shri Sadhan Ranjan Sarakar-How the Govt. propose to arrange such capital ?

Shri Biswadev Sarma—At this stage I cannot say it.

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

### Re: Total Share Capital of the Agro-Industries Corporation of Assam

M. Shamsul Huda asked:

122. Will the Minister in-charge of Agriculture be pleased to state—

(a) The total share capital of the Agro-Industries Corporation of Assam ?

(b) Whether it is a fact that this amount of share capital of the Corporation has not been sufficient to accord long term aids to the desiring and deserving Agriculturists of the State ?

(c) If so, whether the Government has thought out any measure to meet the situation ?

(d) Whether the Government propose to take effective steps to raise the amount of the share capital of the corporation ?

(e) If so, when ?

Shri Lakshmi Prasad Goswami (Minister for Agriculture) replied—

122. (a)—The total share capital of the Assam Agro-Industries Corporation is rupees two crores.

(b)—So far the demand created has been fulfilled. The demand is now increasing and it would be difficult to fulfil all the demands with this share capital in future.

(c), (d) & (e)— It is contemplated to raise the share capital of the Assam Agro-Industries Corporation Ltd. in the next financial year.

Re: Number of embezzlement cases in the Co-operative Deparltment that have been detected

Shri Gaurisankar Bhattacharyya asked:

123. Will the Minister, Co-operation be pleased to state—

(a) What is the number of embezzlement cases in the Co-operative Department detected during the year 1965-66, 1966-67 and 1967-68 ?

(b) What categories of officers of the Co-operative Societies are generally found to be committing embezzlement ?

(c) What preventive steps have been taken by the Government ?

Shri Lakshmi Prasad Goswami (Minister, Co-operation) replied:

123. (a)—Embezzlement detected during the years—

| | | | |
|---|---|---|---|
| 1965-66 | ... | ... | 98 |
| 1966-67 | ... | ... | 53 |
| 1967-68 | ... | ... | 33 |
| | Total | ... | 184 |

(b)—Generally the office bearers of the Societies, viz., the Chairman and the Secretary and in some cases employees of the Societies.

(c) –Instruction have been issued to strengthen supervision at the Subdivision level.

Re: Non-payment of Compensation to persons affected by fire broke out in Well No. 25 of O. N. G. C.

Shri Promode Chandra Gogoi asked:

124. Will the Minister, Revenue, be pleased to state—

(a) Whether it is a fact that the persons affected by fire which broke out in Well No. 25 of the O. N. G. C., Assam Project, Sibsagar, in 1966 have not yet been paid full compensations for the damages caused to paddy

fields, trees, houses and other properties in spite of repeated representations from the affected persons ?

(b) Whether it is a fact that the affected persons have received crop compensations for the year 1967 in between December, 1968 and January, 1969 ?

(c) Whether the Government propose to review the whole position and raise the restoration cost to be paid by the O. N. G. C, Assam Project, Sibsagar ?

(d) Whether the Government propose to issue directive to the local Authority to pay the compensation to the affected persons without delay ?

Shri Mahendra Mohan Choudhury (Minister, Revenue) replied:

124. (a)—The date on which fire broke out in Well No. 25 of O. N. G. C. is 4th January, 1967. Full compensation for damages caused to paddy fields, houses and other properties have already been paid to the affected persons.

(b) & (c)—It is under review by the local authority.

(d) Does not arise.

Re: Officers of P. W. D. working for more than 5 years in different Offices of diffrent Districts

Shri Durgeswar Saikia asked:

125. Will the Minister of P. W. D. ( R. and B.) be pleased to state—

(a) Whether there are some Officers working for more than 5 years in the different Offices of the Public Works Department ( R. & B. ) in the different Districts ?

(b) If it is also a fact that some Officers more particularly, the Sectional Officers are transferred two to three times in the same year ?

(c) Whether some Officers mors particularly the Sectional Officers transferred are stayed even for more than once and re-posted to some other place as desired ?

Shri Altaf Hossain Mazumder [Minister of State, P.W.D. (R. and B.)] replied:

125. (a)—Yes, there are a very few technical Officers serving in a particular place for more than 5 years. They are allowed to continue for such a period under special circumstances in the interest of public but as soon as substitues are available, they would be transferred elsewhere immediately.

(b)—Generally Officers are not transferred two to three times in the same year. But in very few exceptional cases when subsequent re-adjustment after the transfer of an Officer is not possible or in view of the hardship involved to the transferred Officer, he may be re-transferred elsewhere.

(c)—Orders of transfer and posting some times have to be stayed on the representation from the loeal public and in the interest of public works. But utmost vigilance is exercised so that such orders are not stayed time and again.

Re: Number of Surplus Landless agricultural Labourers in Assam

M. Shamsul Huda asked :

126. Will the Minister of Labour be pleased to state—

(a) The total number of surplus landless agricultural larbourers in Assam ?

(b) How does the Goverment propose to employ them ?

(c) Whether the Government has scheme in this regard ?

(d) If so, when these schemes are expected to come into operation ?

Shri Kamakhya Prasad Tripathi (Minister for Labour) replied:

126. (a) According to date collected by Land Holding enquiry conducted during the 17th round of National Sample Survey (1961-62) about 3·1 lakh peasant families are landless and the number of such families constitute about 22.3 per cent of the total peasant families in the State.

(b), (c) & (d)—Rural Works Programme is contemplated to be undertaken in areas where there is considerable unemployment and underemployment for proviiding employment to persons in the slack agricultural season and for building up community assets. It is also

contemplated to build up a corps of skilled rural youths to help implementation of various rural works programme. The fourth plan also envisages to provide maximum employment opportunities to new entrants to the labour force and to ensure fuller utilisation of manpower. Substantial facilities in the social service sector for development of human resources especially in the rural areas and reorientation of such resources in the direction of such of increasing productivity are also envisaged in the Fourth Plan.

## Re : DALU FIRING

Re : Dalu firing

Shri Maneswar Boro :— অধ্যক্ষ মহোদয়, যোৱা শনিবাৰে Dalu Firing সম্পৰ্কে পৰিপূৰক প্ৰশ্নৰ উত্তৰ মূখ্যমন্ত্ৰীয়ে দিব নোৱাৰিলে । এতিয়া মূখ্যমন্ত্ৰী নাই । তেখেতৰ পৰিবৰ্ত্তে উপদলপতিয়ে কবনে ?

Shri Mahendra Mohan Chaudhury (Minister, Parliamentary Affairs ): মুখ্যমন্ত্ৰীয়েহে সেই উত্তৰ দিব ।

## Re : PETITION FROM SHRI NANDIRAM DAS RELATING TO NON-SETLEMENT OF A FISHERY

Mr. Speaker: Now, I have received an petition from one Shri Nandiram Das stating that due to non settlement of some fishery ( Para 5 of his petition ) he is going to fast from 9. 30 A. M. tomorrow before the Assambly building and it is forwarded by Shri Dulal Chandra

Barua in the midst of the Question Hour. I have already stated that in such matters previous permission is to be taken before raisng the matter in the House. I have not been able to go into the contents of the petition. Anyway, I will go into it and see whether permission can be given or not tomorrow. Now next item, No.2.

## VOTING OF DEMANDS FOR GRANTS

Demand No. 10—'19 General Administration—(I-Head of States and Ministers ).

Shri Mahendra Mohan Chaudhury ( Minister ) : Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 19,08,100 ( Rupees ninteen lakhs, eight-thousand and one hundred ) only be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "10-General Administration ( I- Heads of States and Ministers )".

Mr. Speaker: The motion is moved. Who is to move the Cut Motion. ? There are three Cut Motions.

Shri Gaurisankar Bhattacharyya: That the total provision of Rs. 19,08,100 under Grant of States and Mini- No. 10, Major head "19—General Administration—(I. Head sters"), at Page 45-50 of the Budget be reduced by Re. I, i. e., the amount of the whole grant of Rs. 19,08,100, to stand reduced by Re. I. We all move it.

Mr. Speaker—All Cut Motions are move.

Shri Lakhyadhar Chaudhury : অধ্যক্ষ মহোদয়, Grant No 10ত আমাৰ চলিহাদেৱে General-Administration ৰ শিতানত যি ধনৰ মঞ্জুৰী-বিছাৰিছে-তাৰ বিৰোধীতা কৰি মই এই কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছোঁ। এই General Administration ৰ শিতানত Heads of States আৰু মিনিষ্টাৰ সকলৰ কাৰণে ১৯,০৮, ১০০ টকা বিছাৰিছে। আমাৰ বিবেচনাৰে সেইটো অতিৰিক্ত হৈছে। কাৰণ গভৰ্ণৰৰ দৰে এনে এটা অলাগতিয়াল বা অদৰ্কাৰী ব্যৱস্থা এটা কংগ্ৰেছ চৰকাৰে এতিয়াও-ৰাখি থোৱাত আমাৰ তৰফৰ পৰা আৰু ৰাইজৰ তৰফৰ পৰাও যথেষ্ট আপত্তি দৰ্শোৱা হৈছে। তদুপৰি ইয়াৰ কাৰণে অজস্ৰ অপব্যৱহাৰ কৰা দেখা গৈছে। এইবাৰ ঘৰৰ পৰ্দ্দা লগোৱাত, ঘৰৰ আচবাবৰ কাৰণে Supplementary Demamd আনিও যথেষ্ট টকা খৰচ কৰিছে। সেই বিলাকৰ যথেষ্ট সমালোচনা কৰা হৈছে। এতিয়া তেখেতৰ ঘৰত চূন তেল দিয়াৰ খৰচ আৰু entertai - ment খৰচ অতিৰিক্ত ধৰা হৈছে। তেখেতৰ ভ্ৰমণ-খৰচ অতিশয় ধৰা দেখা গৈছে। তেখেতৰ ভ্ৰমণত কিবা বিশেষত্ব আছে বুলি আমি ভাৱিব নোৱাৰোঁ। অৱশ্যে তুখন বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভাত উপস্থিত থকাৰ বাহিৰে—বাকীবোৰ সভাত প্ৰায়ে তুৱাৰ মুকলি কৰি ফুৰাহে দেখিছো। এইদৰে তুৱাৰ মুকলি কৰোতে কৰোতে চাৰিও ফালৰ তুৱাৰ মুকলি হৈ তুৰ্গন্ধহে আহিব ধৰিছে। এই কাৰণেই গভৰ্ণৰৰ শিতানত যি টকা খৰচ হয় সেইটকা চৰকাৰৰ অপব্যয় হয় বুলিহে কব পাৰো। তাৰ পিচত-মন্ত্ৰীসকলৰ খৰচৰ কাৰণে Administrative Rsforms Committee ৰ নিৰ্দেশ অনুসৰি পৰামৰ্শ দিয়াৰ পিচত আমি ভাৱিছিলো এইবাৰ অন্ততঃ বাজেটত ইমান খিনি মঞ্জুৰী নিবিছাৰিব। কাৰণ আমাৰ সদনৰ সদস্যৰ সংখ্যালৈ চাই-যে আমাৰ মন্ত্ৰীৰ সংখ্যাৰ যথেষ্ট হৈছে সেইটো অৱশ্যে তেওঁলোকেও—নিশ্চয় বুজিছে। তদুপৰি আমি এনেকৈয়ে-দেখিছো যে মন্ত্ৰীসকল যেতিয়া সদনত আমাৰ সভাত বহে যেতিয়া প্ৰায়ে মন্ত্ৰীসকলক উপস্থিত থকা নেদেখো। সেইসকল এই সুযোগতে আমাৰ পৰা দূৰক পঠাব লাগে। গতিকে—যি কেইজনে—উপস্থিত থাকে সেই কেইজনেই আমাৰ-কাৰণে যথেষ্ঠ হব।

ইয়াত দেখুৱাইছে—মূখ্যমন্ত্ৰীৰ কাৰণে ১২,০০০টকা। এঘাৰজন মন্ত্ৰীৰ কাৰণে ১,২০,০০০ টকা। ৫ জন ৰাজ্যিক মন্ত্ৰীৰ কাৰণে-৬১,২০০ টকা। আৰু

তিনিজন উপমন্ত্ৰীৰ কাৰণে ২৭,০০০ টকা। মুঠ ১,২০,২০০ টকা। এইখিনি টকা, আমাৰ বিত্তমন্ত্ৰীয়ে সহজে কমাই দিব পাৰিলেহেতেন। এতিয়াও মই তেখেতক অনুৰোধ কৰিছো যে, এই বছৰটো গান্ধী-শতবাৰ্ষিকীৰ-বছৰ। গতিকে ইমান এটা মোটা পৰিমান ৰাজহুৱা ধনৰ অপব্যয় যেন এই বছৰত নকৰে। তদুপৰি Entertainmentৰ কাৰণে মন্ত্ৰীসকলে Hospitality charge বুলি এটা মঞ্জুৰী পায়; কিন্তু তেওঁলোকৰ তালৈ গলে অৱশ্যে বহুতে সুদা চাহ খাবলৈ দিয়ে। এই খিনিতে আৰু এটা কথা আমাৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়ৰ নামত কোনো টকা ধৰা নাই। এই দুয়োটাই হৈছে সদনৰ মূখীয়াল আৰু সন্মানিত পদ। তেখেত সকলৰ কাৰণে টকা নধৰি অকল মন্ত্ৰী মণ্ডলীৰ আৰু গৱৰ্ণৰৰ কাৰণে ধৰাটো সচাঁকৈয়ে আচৰিত বিষয়। সেই কাৰণে মই আশা কৰো যাতে বিত্ত মন্ত্ৰীয়ে এই বোৰ ভালদৰে বিবেচনা কৰি চায়। চলিহাদেৱৰ আমাৰ ইয়াতো "আৰমাদা" যুজখনৰ নিচিনা হৈছে। সেই কাৰণে মই ভাৱিছো যে-আমাৰ ইমানবিলাক মন্ত্ৰী হোৱাৰ কাৰণে খেলিমেলি হৈছে। এইবাৰ গান্ধী শতবাৰ্ষিকী হৈছে আৰু গান্ধীৰ নামত চৰকাৰ গঠৰ কৰি ১২জন মন্ত্ৰী ৰাখি বাকী খিনি কমাই দিয়ে। তেতিয়া হলে উন্নয়ন মূলক কাম বিলাক, শিক্ষা আদি শিতানত টকা নাই, টকা নাই বোলা কথা· বিলাক ভালধৰণে চাব পাৰিব। সিদিনা মই নিজে দেখিছো এজনী ১৪ বছৰীয়া ছোৱালী গাত কাপোৰ নোহোৱা অৱস্থাত থাকিব লগা হৈছে। গৱৰ্ণৰে ইমান দূৰৰ পৰা পৰ্দা আনি ঘৰত নলগালেও হলহেতেন। এতিয়া দেখা গৈছে ত্যাগৰ পৰিবৰ্ত্তে ভোগহে কৰিছে। এই টকা বিলাক উন্নয়নৰ কামত মঞ্জুৰ কৰিব লাগে। এই খিনিকে কৈ মোৰ কৰ্ত্তন প্ৰস্তাৱটো আগ বঢ়ালো।

Shri Gauri Shankar Bhattacharyya :— অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কওঁযে মোৰ কৰ্ত্তন প্ৰস্তাৱ বিলাকৰ মূল লক্ষ ব্যয় সঙ্কোচন নীতিৰ ওপৰত বেছি জোৰ দিব খোজো। কাৰণ আপোনালোকে জানে যে মাছ পঁচিবলৈ আৰম্ভ কৰে মূৰৰ পৰা। বৰ্ত্তমান আমাৰ চৰকাৰৰ মূৰৰ পৰা পঁচ ধৰিছে। কেৱল এইটোৱেই কাৰণ নহয়। আগতে

ৰাজ্যপালক ৪৮ হেজাৰ দিয়া হৈছিল। ১৯৬৭-৬৮ চনৰ কাৰণে বঢ়াই নি ৬৬ হেজাৰ দিয়া হব দৰমহা হিচাবে। আগেয়ে তেখেতৰ Maintanance, Recreation আৰু Furniture ৰ কাৰণে ৭ হেজাৰ দিয়া হৈছিল এতিয়া ১৫ হেজাৰ দিয়া হব। নাইবা তেখেতৰ Secretariate ৰ কাৰণে ৩২ হেজাৰ দিয়া হৈছিল; এইবাৰ ৪০ হেজাৰ দিয়া হব। এইবিলাক ক্ৰমান্বয়ে ক্ৰমান্বয়ে ওপৰ গধুৰ হৈ গৈ আছে। ১৯৬৭ চনত গৱৰ্ণৰে স্বইচ্ছাৰে "কাট্" দিছিল। আগৰ সেই কাট্ লোৱা খিনিৰ এতিয়া ঘূৰাই লোৱাৰহে ব্যৱস্থা কৰা দেখা গৈছে। এতিয়া মূল কথা হৈছে বৰ্ত্তমান যি সকল শীৰ্ষস্থানীয় লোক আছে; সেই সকল হৈছে ৰাজ্যপাল আৰু তেখেতৰ উপদেষ্টা আৰু মন্ত্ৰী সম্পৰ্কীয় ব্যয় এই বিলাকে দেশ খনক কি কৰিছে? আমাৰ অৰ্থমন্ত্ৰীয়ে বাজেট উত্থাপন কৰি বক্তৃতাত সকলোকে উপদেশ দিছে যে কঠোৰ পৰিশ্ৰম কৰা, আৰু ত্যাগ কৰাটো সকলোৰে কৰ্ত্তব্য। কিন্তু ৰাজ্যৰ মূৰব্বী সকলে ত্যাগ কৰাৰ পৰিবৰ্ত্তে ভোগহে কৰা দেখা গৈছে। আগেয়ে যি ১০ কোটি টকা ঘাটি ত্যাগ কৰা বুলি স্বইচ্ছাৰে এৰি দিছিল, সেই টকা এতিয়া ঘূৰাই লোৱাৰ ব্যৱস্থা কৰিছে। এইবিলাক কৰি বৈশম্যতাৰহে সৃষ্টি কৰা হৈছে। দেশ-খন গঠন কৰাৰ কাৰণে সমূহ ৰাইজে ত্যাগ কৰি কম খায়, সোদাভাত খাই থাকে। আমি যদি ৰাইজক কঠোৰ পৰিশ্ৰম কৰিব লাগে বুলি কওঁ তেন্তে ৰাইজক উপহাস কৰা নহব নে? "উপদেশতকৈ দৃষ্টান্ত শ্ৰেয়" বোলাৰ অৰ্থ কি হব? ৰাজ্যৰ মূৰব্বী সকলে এনে ধৰণৰ আচৰণ কৰে তেনেহলে ৰাইজৰ আগত কৰা সকলো প্ৰচাৰ, সকলো আবেদন ভসাৰ নহব নে?

এই বিলাক মন্ত্ৰী সকলে উপলব্ধি কৰা নাই। এই বিলাকেই দেশপ্ৰেমৰ নিদৰ্শন নেকি? এতিয়া দেশত লাখ লাখ মানুহ নিবনুৱা হৈ আছে খেতি-য়ক সকলক খেতিৰ মাটি দিব পৰা নাই, খেতি কৰিবৰ কাৰণে পানী যোগান ধৰিব পৰা নাই। খেতিয়ক সকলক ভগৱানে দিয়া শক্তি থকা স্বত্বেও উৎপাদন কৰিব পৰা নাই। কঠোৰ জীৱন যাপন কৰাৰ পৰা একো-ৱেই নহয়। যেতিয়া মই গুৱাহাটী সমষ্টিৰ প্ৰতিনিধিত্ব কৰিছিলো, সেই সময়ত কংগ্ৰেছ দ'লৰ উপ দলপতীয়ে সোণাপুৰ মৌজা ভৰিৰে খোজ কাঢ়ি ভ্ৰমণ কৰিছিল। মানুহ বিলাকে মোক সুধিছিল এইটো ভণ্ডামী নহয় নে? তেতিয়া মই কলো এইটো ভণ্ডামী নহয় কাৰণ ভিতৰুৱা ঠাই বিলাক ভ্ৰমণ

কৰিছে। ভিতৰুৱা ঠাই বিলাক খোজ কাটি ভ্ৰমণ কৰিছিল, তেতিয়া মই সহানুভূতিৰ চকুৰে চাইছিলো। সহানুভূতিৰ চকুৰে চোৱাৰ কাৰণ বেলেগ আছিল।

কিন্তু এতিয়া শাসক আৰু শাসনৰ ব্যৱধান বাঢ়ি গৈছে। মই তেতিয়া তেনে সমালোচনা সমৰ্থন কৰা নাই। কিন্তু এতিয়া ভাবিব লগা হৈছো যে, আমাৰ জনসাধাৰণ আৰু মন্ত্ৰী আদি যি সকল ওপৰত আছে, সেই সকলৰ সমবেদনা আৰু সমচেতনাৰ অভাৱ হৈছে। এনে ধৰণৰ সম্বন্ধটো গণতন্ত্ৰৰ অন্তৰায়। এইটো কথা ঠিক যে আমাৰ দেশৰ সন্মুখত বহুত সমস্যা আছে। লগতে এইটোও ঠিক যে কুৰি বছৰেও কংগ্ৰেছ শাসনত আমাৰ ৰাইজৰ আমোল কোনো পৰিবৰ্ত্তন নকৰা বা কৰিব নোৱাৰা কাৰণ এই শাসক শ্ৰেণীয়ে যি সকলক শোষিত কৰি আছে, সেই শোষিত শ্ৰেণীয়ে তাৰ কাৰণে এই কংগ্ৰেছ চৰকাৰক সমালোচনা কৰে। অৱশ্যে এই কুৰি বছৰ ধৰি সুদীৰ্ঘ কালছোৱা এখন দেশ ৰক্ষাৰ বা এটা পদ্ধতিত প্ৰতিষ্ঠা কৰাৰ কাৰণে, সেই খিনি একো সুদীৰ্ঘ কাল নহয়। তথাপিও কংগ্ৰেছ চৰকাৰৰ পক্ষৰ পৰা প্ৰকৃত পক্ষে যি ধৰণৰ মনোভাৱ সেই মনোভাৱ যদি জনসাধাৰণৰ উদ্‌গতিৰ অনুকূল যেন দেখিলোহেতেন, তেন্তে আমি কুৰি বছৰ ধৰি আমাৰ দেশৰ জনসাধাৰণে যি দুখ-কষ্ট. লালাত ভুগিছে তাকো আও-কান কৰি তেওঁলোকে কলেহেতেন যে আমাৰ লগতে আপোনালোকে আহক, আৰু কিছু দুখ ভোগ কৰো।

কিন্তু দুৰ্ভাগ্য ক্ৰমে বাজেটৰ যিটো ধাৰা দেখা গৈছে যে সেইটো গতানুগতিক ভাৱে চলি থকা নাই বৰঞ্চ বছৰি বছৰি তিব্ৰতৰ হৈ গৈছে। সেই দেখি আমাৰ ওচৰত জনসাধাৰণৰ ওচৰত এইটো কষ্ট কৰি তুলি ধৰিছে যে "গৰুৰ আগত বাই টোকাৰী ঘাঁহ খাই মূৰ জোকাৰী" যি অকলে গৰুৱেই হওঁক নাইবা বলদেই হওঁক কেতিয়াও সি সঙ্গীতৰ মূৰ্চ্ছনা বুজিব নোৱাৰে। আজি ২০ বছৰ ধৰি একে কথাকে কেতিয়াবা নৰম কেতিয়াবা গৰম একে কথাকে ৰাইজ আৰু ৰাইজৰ প্ৰতিনিধি সভাত কৈ আহিছে কিন্তু চিৰদিন তেওঁ-কাণত তুলা দি আহিছে কাৰণ ১০ এপ্ৰিল পৰ্যন্ত আমাৰ Bruli Mayarch আৰু Chain Ruler পিহি মোহাৰি বাজেট পাছ কৰি গৈ তাৰ পাছত

তিখিক যিমৰি আৰম্ভ হৈ যায়। ৰাজমুকুট যেতিয়া মুৰত লৈছে এই সমালোচনা বিলাক সেই দৃষ্টি ভঙ্গীৰে এতিয়ালৈকে লোৱা হৈছে। এই বাজেটত ৫০ কোটি টকাৰ ঘাটি হোৱাৰ সম্ভৱনা আমাৰ ৰাইজৰ মুৰব্বী সকলে যদি Entertainment Allowance বন্ধ কৰি দিলেহেতেন আৰু tour experses কমাই দিলেহেতেন্ তেতিয়া হলে এই ঘাটিৰ ৫০ ভাগ কমি গ'লহেতেন। মই মন্ত্ৰীসকলৰ পৰিভ্ৰমণক আপত্তি নকৰিলোহেতেন যদি এই পৰিভ্ৰমণ উৎপাদন মুখি হ'লহেঁতেন।

মই কাৰো নাম নকও মই মন্ত্ৰীসকলৰ কথা জানো, তেখেতসকলে মাক বাপেকৰ শ্ৰাদ্ধ কৰিবলৈ যায় আৰু এমুঠি পিণ্ড দিবলৈ যায়, এইদৰে যাওতে আহোতে কৰবাত বুনিয়াদী স্কুলত Visit দি যায় আৰু কেনে আছে বুলি সুধি যায় সেই কাৰণে অহাযোৱা খৰছ Haulting allowance আদি আদায় কৰে। এইদৰে তেওঁলোকে বাপেকৰ মুখত পিণ্ড পৰিব বুলি ভাৱে মই অসত্য কথা নকও। এইদৰে নিজৰ পিতৃ-পুৰুষৰ নামত পিণ্ড দিয়াত অশান্তি-জনক ব্যৱস্থা কৰিছে। আজি ইয়াত কালি ধুবুৰী পিচদিনাখন সৰভোগ, কোকৰাঝাৰ এইদৰে ঘুৰি ফুৰে কিন্তু এটা যাত্ৰাতে ধুবুৰী কোকৰাঝাৰ আদি পৰিভ্ৰমণ কৰি কাম সম্পূৰ্ণ নকৰে বেলৈ তেতিয়া গাড়ীৰ চকা কম ঘুৰিব, এইবিলাক পৰিভ্ৰমণ কৰি Nationalise কৰা নাযায় আৰু? স্থগিত কৰা নাযায় তেতিয়াহলে এইবিলাক পৰিভ্ৰমণ কৰা মানুহৰ চকুত বেয়া বুলি পৰিগণিত হব। মন্ত্ৰী সকলে ভ্ৰমণ বিলাকক ৰাইজৰ যিটো স্থায়ী ধৰ্ম কৰ্ম তাত কিমান মন দিছে। আমাৰ কৃষি মন্ত্ৰী নগাও ৰহা বাদে বেছি খবৰ নাৰাখে যোৱাৰ দৰকাৰ নাই কিন্তু ৰাইজৰ খেতি পথাৰলৈ ভুমুকি মাৰি চাইছে নে?

মই এটা speifice দৃষ্টান্ত দিও মই বিৰোধ নকৰো আৰু সমালোচনা কৰাই হ'ল মোৰ ধৰ্ম। আজি ২ বছৰ ধৰি বানপানীৰ লগত যুজি যিসকলে চেষ্টা কৰি আহিছে, আৰু যোৱা বছৰ যি ঠাই বানপানীত ডুব গৈছিল তাত ৰাইজে সমবেত হৈ ১ লাখ ৩০ হেজাৰ টকাৰ বড়োধানৰ উৎপাদন কৰিছে আৰু যদি ভগৱানে কৰে এই বছৰ ৫ লাখ টকাৰ বড়োধান উৎপাদন

কৰিব পাৰিব। আমাৰ কৃষি মন্ত্ৰীডাঙৰীয়াৰ কোৱা উক্তি চাৰছোন ? এবাৰ চাই আহিব, কিন্তু তেখেত গৈছিলনে ?

অৱশ্যে তেখেতৰ Dev. Commissioner Dharamtule ধৰ্মত গৈছিল কিন্তু এজন চাকৰীয়াল আৰু মন্ত্ৰীৰ মাজত বহুখিনি পাৰ্থক্য আছে। কৃষি মন্ত্ৰী এতিয়াও ডেকা মানুহ গতিকে এতিয়াও সময় আছে দুটা বাষ্টা নএদি নতুন দৃষ্টিভঙ্গীৰে কাম আৰম্ভ কৰক তেতিয়াহলে দেশৰ উপকাৰ হব আৰু নিজৰো উপকাৰ হব। আমাৰ ৰাজহ মন্ত্ৰীক এই বিষয়ত পাট্টা দিয়াৰ কাৰো ক্ষমতা নাই অৰ্থাৎ ৰাইজৰ লগত মিলা-মিচা, খোৱা-মেলা কৰা প্ৰত্যেক্ষ সংযোগ অৰ্থাৎ গণ সংযোগ যি দৃষ্টি ভঙ্গী তেখেতৰ গণ সংযোগ আমিয়ে ভয় কৰো। যদি তাৰ লগত আধুনিক দৃষ্টিভঙ্গী আহি যায় তেতেহলে এটা ডাঙৰ কথা হব। মন্ত্ৰী সকলোৱে ভৱা উচিত যেনে তেনেকৈ হলেও সমগ্ৰ ৰাইজৰ অৱস্থাৰ এটা আমোল পৰিবৰ্তন আহিব লাগিব। কেন্দ্ৰৰ ওচৰত ভিক্ষা বৃত্তি আৰু শোষণৰ এই নীতিটোৰ পৰিবৰ্তন হব লাগে। এই প্ৰসঙ্গত মন্ত্ৰী মকলৰ বাজ্যৰ মুৰব্বী সকলৰ বিষয়ত প্ৰশ্ন উঠিছে।

সেই কাৰণে এই যে দাবীটো সদনত কৰিছে সেই টকা হয়তো আমি দিম কিন্তু এই টকা যাতে কোনো মন্ত্ৰীয়ে কাৰোবাৰ শ্ৰাদ্ধ খাবলৈ কাৰোবাৰ বিয়া পাতিবলৈ আৰু কাৰোবাৰ আতিথ্য গ্ৰহণ কৰিবলৈ যাতে ভ্ৰমণ কৰা নহয় তালৈ লক্ষ্য ৰাখে। মন্ত্ৰীয়ে cirquite house ত বহে তেতিয়া তেওঁলোকৰ পৰিষদ বা বিষয়া fout বা দালাল বা শোষক শ্ৰেণীৰ মধ্য বৰ্তী লোকৰ দ্বাৰা পৰিবেস্তিত হৈ নাথাকি পোণপতিয়া ভাবে জনসাধাৰণৰ লগত যোগাযোগ স্থাপন কৰে সেই বিষয়লৈ বিশেষ মনোনিবেশ কৰা উচিত। মই জানো তেখেত সকলৰ ভিতৰত সুচিন্তা আছে সংভাৱ আছে কিন্তু তেওঁলোকে যদি নিজে জনসাধাৰণৰ মাজলৈ আহে তেনেহলে মধ্যবৰ্ত্তী শ্ৰেণীৰ দ্বাৰা যি চিনৰ দেৱাল গঠিত হৈছে সেই দেৱাল ভাঙি চুৰমাৰ হৈ যাব। দেশৰ মঙ্গল কৰিবৰ কাৰণে আমি সকলোৱে ঐক্যবদ্ধ ভাৱ বিভিন্ন সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা নকৰিলে আজি যি দুৰৱস্থা হৈছে তাক দুৰ কৰাৰ আশা কৰিব নোৱাৰি। আমি যাতে কথাবোৰ সেই দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰে।

**Shri Dulal Chandra Barua** :— অধ্যক্ষ মহোদয় মই এই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কবলৈ বিচাৰিছো। এই সম্পৰ্কত আমাৰ পক্ষৰ নেতা শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই টকা পইচা দিয়া সম্পৰ্কত যি কৈছিল তাৰ লগত একমত। মন্ত্ৰী বা বিষয়াক টকা পইচা দিয়াত আমাৰ ফালৰ পৰা বিশেষ ভাবে আপত্তি নকৰো কাৰণ নীতিগত ভাবে যিখিনি কথা বহুদিন ধৰি আমি এই বিধান সভাত নানা ৰকম ভাবে চৰকাৰক জনাই অহিছো সেইখিনি কথাকে কবলৈ বিচাৰিছো।

প্ৰথম কথা—এয়ে যে শাষণ যন্ত্ৰ সুনিয়ন্ত্ৰীত ভাবে চলাবলৈ হলে এখন উপযুক্ত মন্ত্ৰী সভাৰ দৰকাৰ। এই মন্ত্ৰী সভাৰ সকলোবিলাক সদস্য নিকা আৰু আদৰ্শবাদী হোৱা আৱশ্যক। আজি আমি স্বাধীনতা পোৱা ২১ বছৰ হল। এই ২১ বছৰৰ ভিতৰত আমাৰ দেশ খনৰ কাৰণে মন্ত্ৰী সকলে বা গাদীত অধিস্থিত লোক সকলে দেশখনৰ কেনে উপকৃত হৈছে সেইটো চাবলগীয়া বিষয় হৈ পৰিছে। তাৰ লগে লগে এই কথা বিচাৰ কৰিবলগীয়া হৈছে যে যি বিলাক লোক শাসনত অধিস্থিত হৈ আছে সেই সকলৰ আত্ম বিশ্লেষণত আহি পৰিছে। তেওঁলোকে নিজৰ কাৰণে কিবা কৰিছে নে দেশৰ কাৰণে কিবা কৰিছে সেইটোও চাবলগীয়া হৈছে। মই এই বিষয়ে কবলৈ বিচাৰো যে দেশৰ শাসন চলাবলৈ হলে প্ৰত্যেকৰে অন্তৰত নিকা হোৱা মহানুভবতা থকা দৰকাৰ। আৰু এনেকুৱা লোকৰ দ্বাৰা মন্ত্ৰী পৰিষদ গঠিত হোৱা দৰকাৰ। কিন্তু আমি দেখিবলৈ পাইছো যি সকল মন্ত্ৰীয়ে মন্ত্ৰীত্বৰ গাদী লৈছে সেই সকলে মন্ত্ৰীত্বৰ গাদী উপযুক্ততাৰ কথা আপুমি নিজে জানে। মোক ভুল নুবুজিব যাতে ব্যক্তিগত ভাবে আক্ৰমণ কৰা মোৰ উদ্দেশ্য নহয়। তেখেত সকল যি গুণ সম্পৰ্ণ হোৱা দৰকাৰ সেই খিনিৰ অভাব হৈছে। ৰাজনীতিৰ ক্ষেত্ৰত মই দুষাৰ কব খুজিছো। কিন্তু মুখ্যমন্ত্ৰী উপস্থিত থকা হলে ভাল পালোহেতেন। কিন্তু দুখৰ কথা যে তেখেতৰ ঘনাই ঘনাই অসুখ হবলৈ ধৰিছে। তেখেতৰ আগত প্ৰশ্ন কৰিবলৈ পালে ভাল পালোহেতেন, তেখেতৰ মন্ত্ৰীৰ বাচনী সম্পৰ্কে যি নীতি অবলম্বন কৰিছে সেই নীতিক মই বিৰোধিতা কৰিছো। বিৰোধিতা এই কাৰনেই কৰিছো যে তেখেতে নিজৰ গাদী ৰাখিবলৈ কাঠৰ

পুতিব নুখোজে। যি সকল মন্ত্ৰীক গাদীত বহুৱাই দেশখন শাসন কৰিবলৈ চেষ্টা কৰিছে সেই সকল শকত কাঠৰ হোৱাটো তেখেতে নিবিচাৰে। যাতে দৰকাৰ পৰিলে তেখেতে ইচ্ছা অনুযায়ী কোনো মন্ত্ৰীক গাদীৰ পৰা অপসাৰণ কৰিব পাৰে। এই কথাটো মুখ্যমন্ত্ৰীয়ে মোক নিজে হাঁহি হাঁহি কৈছিল। শাসন যন্ত্ৰ যদিও বিষয়া সকলৰ দ্বাৰা চলোৱা হয় তথাপিও যিজন মন্ত্ৰী ওপৰত থাকে তেখেতৰ ব্যক্তিত্বৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে।

অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰিব খুজিছো যে সেইজন মন্ত্ৰীয়ে ব্যক্তিত্ব প্ৰকাশ কৰি শাসন যন্ত্ৰ পৰিচালনা কৰিবলৈ সক্ষম হৈছে। আমি মন্ত্ৰী সকলৰ বানচ আৰু ভ্ৰমণৰ কাৰণে টকা দিছো। ৰাইজে বুকুৰ তেজ পানী কৰি চৰকাৰক টকা দিছে। কিন্তু ইয়াৰ পৰিবৰ্ত্তে তেওঁবিলাকে কিবা পাইছেনে? সেই কাৰণে মই কবলৈ দ্বিদ্ধাবোধ নকৰো যে আমি যি সকলে গন্ধীজীৰ নেতৃত্বত শাসন চলাবলৈ বিচাৰিছো তেওঁ লোকে কি ধৰনৰ গান্ধীজীৰ আদৰ্শ পালন কৰিছে এই কথা আপোনালোকে নজনা নহয়। মই আগতেই কৈছো যে এই সদনত চৰকাৰে যি টকা দাবি কৰে সেই টকা দিবলৈ আমাৰ আপত্তি নাই। কিন্তু আমাৰ জনসাধাৰণে যদি খাবলৈ নাপায় হাবিৰ মাজৰ বা বাহৰ তলত পৰি থাকিব লগীয়া হয় আৰু মোৰ বাই ভনী সকলে দুবেলা দুমুঠি খাবলৈ নাপায় তেনেহলে শাসন যন্ত্ৰটো সুকলমে চলিছে বুলি কেনেকৈ কব পাৰে। কিন্তু আমি যি দেখিছো মন্ত্ৰী সকলে জনসাধাৰনৰ উপকাৰ কৰিবলৈ যোৱাৰ নামত কিছুমান পুজিপতিৰ হাতত নিজকে বিক্ৰী কৰি আহিছে।

আজি আমাৰ চৰকাৰ কিছুমান পুঁজীপতিৰ হাতত বিক্ৰী হৈ আছে। ইয়াৰ উদাহৰণ অলেখ। আজি দেশৰ স্বাৰ্থ বাদ দি নিজৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে দেশৰ ধনী শ্ৰেণীৰ হাতত আজি সকলোবোৰ গতাই দিছে। দেশৰ মৰ্য্যদা গতাই দিছে। আজি যদি হিচাপ কৰি চোৱা যায় কাৰ ক'ত কিমান সম্পতি আছে প্ৰত্যেক জন মন্ত্ৰী, উপমন্ত্ৰী, ৰাজ্যিক মন্ত্ৰীৰ কিমান সম্পত্তি আছে সেইটো ৰাইজৰ আগত দেখুৱাই দিবনে? আৰু কোনে কি কৰিছে। কোনে দেশখন বিক্ৰী কৰিব খুজিছে, কোন দালালৰ লগত

কোন মন্ত্ৰীৰ সম্বন্ধ আছে, কোন সদস্যৰ সম্বন্ধ আছে সেই বিলাকৰ ৰাইজৰ আগত জনাব দিবনে ? দেশখন ৰক্ষা কৰিবলৈ দেশৰ জনসাধাৰণৰ জীৱন ৰক্ষা কৰিবলৈ এই মন্ত্ৰীসকলৰ কোনো ভাৱেই নাই। আমি দেখিছো সকলোতেই কেৱল দূৰ্নীতি। ১৯৬২ চনত যেতিয়া মই নতুন উদ্যমেৰে ইয়াত সোমাইছিলো তেতিয়া ভাবিছিলো যে দেশখনক নিস্বাৰ্থভাৱে সেৱা কৰিব পাৰিম কিন্তু সোমাই দেখিলো দূৰ্নীতি আৰু দূৰ্নীতিয়ে সমগ্ৰ দেশখনক সিঁ পেলাইছে আৰু যি দূৰ্নীতিয়ে চৰকাৰৰ শাসন যন্ত্ৰটো অচল কৰি ৰাইজক জনসাধাৰণক ঠগ-প্ৰৱঞ্চনাৰে প্ৰতাৰিত কৰিব ধৰিছে। মানুহৰ সেৱাৰ আদৰ্শ তাত নাই। কেৱল সংকীৰ্ণ নিজৰ স্বাৰ্থ আৰু স্বাৰ্থ। এই লৈয়েই চলিছে শাসন, আৰু চলিছে ব্যক্তিগত জীৱন। এই দূৰ্নীতিতেই প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে সকলো বিলাক লিপ্ত। কি পঞ্চায়ত নিৰ্ব্বাচন, কি সাধাৰণ নিৰ্ব্বাচন সকলোতেই দূৰ্নীতিয়ে ব্যাপকভাৱে শিপাই পৰিছে। মন্ত্ৰী সকলৰ ৰাজনৈতিক নেতা সকলৰ অন্তৰৰ পৰা সংকীৰ্ণ স্বাৰ্থ পৰতা আঁতৰ হোৱা নাই আৰু সেই মন্ত্ৰী সভাৰ অধীনত থকা শাসন যন্ত্ৰতো দূৰ্নীতিতে দকৈ শিপা মেলি অচল কৰি পেলাইছে। ইয়াত যিটো আমোলাতান্ত্ৰিক মনোভাৱ সেই মনোভাৱত মন্ত্ৰীসকলে অৰিহনা যোগাইছে আৰু শাসন যন্ত্ৰ এনেভাৱে দূৰ্নীতিৰে পৰিপূৰ্ণ কৰিছে যে আমাৰ দলপতিয়ে কৈ যোৱাৰ দৰে দূৰ্নীতিৰ গোন্ধত উশাহ লব নোৱাৰা অৱস্থা হৈছে। এনে অৱস্থাত আমাৰ কপালৰ ঘাম মাটিত পেলাই দিয়া ৰাইজৰ ধনেৰে শাসন-যন্ত্ৰ চলাই ৰাইজৰ ওপৰতেই ঠগ-প্ৰতাৰণা আদি বিস্তাৰ কৰা বাবে এই চৰকাৰক জনসাধাৰণে ক্ষমা নকৰিব। তেওঁলোকৰ গাদীৰ পৰা আজি জনসাধৰণে জোৰ কৰি খেদাই দিব। মই কব খুজিছো এই কুকাণ্ড বিলাকৰ কাৰণে চৰকাৰ দায়ী আৰু ইয়াৰ ফলত আজি এনেকুৱা দূৰ্দিন আহিছে যি দিনত মন্ত্ৰী, ৰাজনৈতিক নেতা প্ৰমুখ্যে জনসাধাৰণৰ অস্তিত্ব নাথাকিব। কাৰণ আজি যি সকলে মন্ত্ৰীৰ গাদীত বহি হয়তো ভাবিছে যে অকল তেওঁলোকৰ দলেই দেশৰ স্বাধীনতা অৰ্জ্জনত অৰিহনা যোগাইছিল তেওঁলোকে নিশ্চয় ভুল কৰিব যদি সেই স্বাধীনতা যুদ্ধত দেশৰ কৃষক শ্ৰমিক জনসাধাৰণৰ অৰিহনা নাই বুলি ভাৱে। কাৰণ স্বাধীনতা যুদ্ধত সকলোৰে অৰিহণা যোগাইছিল। সেই কাৰণে মই কব খুজিছো যে এই শক্তিটো এটা এনে শক্তি হৈ উঠিছে যি শক্তিয়ে লুইতক

ভেটা দিবলৈ সমৰ্থ নহয়। ভূপেন দাইও ইয়াকেই দোহাৰিছে। তেজৰ নৈ বোৱাই হলেও দূৰ্নীতি পৰায়ণ এই চৰকাৰক ৰাইজে ভাঙি দিবলৈ দ্বিধাবোধ নকৰিব।

তাৰ পিচত কব খুজিছো মন্ত্ৰীসকলে ৰাইজক প্ৰতিনিধিত্ব কৰি মন্ত্ৰী সভা পাতি শাসন কাৰ্য্যত অধিস্থিত হৈছে। তেনেস্থলত তেওঁলোকে থাকিবলৈ যিবিলাক বিৰাট বিৰাট ঘৰ আৰু তাৰ ভিতৰত 'আচবাব' লৈছে সেই-বিলাকক দেখিলে অসমৰ নিচিনা দুখীয়া পিচপৰা ৰাজ্যৰ প্ৰতিনিধি মূলক যেন নালাগে। অজস্ৰ টকা এইবোৰত ব্যয় কৰা হৈছে। শ্ৰীযুত শৰ্মা 'ইণ্ডাষ্ট্ৰী মিনিষ্টাৰ'ৰ কাৰণে যিটো ঘৰ ভাৰা কৰা হৈছে তাৰ ভাড়া মাহে এহেজাৰ টকা আৰু ঘৰটো সজোৱাত আৰু বেছি টকা খৰছ হৈছে। এইদৰে তেওঁ নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ঘৰ ভাৰা নিৰ্দ্ধাৰণ কৰোতে খুব বেছি ব্যয় হৈছে। সেইদৰে তেখেতসকলৰ ভ্ৰমনৰ অৰ্থে যি টকা ধৰিছে সেইটো খুব বেছি হৈছে।

Shri Biswadev Sarma :— On a point of clarification. Shri Barua raised this point in the last Session also. I have been repeatedly asking the Chief Secretary to allot me a house. Unfortunately, they have not been able to give me a house up till now. It was not me who selected that house. The impression is that I have selected that house. I am entitled to a house as a Minister and I have repeatedly drawn the attention of the Chief Secretary to this matter. I want a house immediatly, wherever it is and however small it may be. I want a Government building but not a rented house.

Shri Dulal Chandra Barua :—এই বিষয়ে মই গাইগুটীয়া ভাবে কোনো মিনিষ্টাৰৰ কথা কোৱা নাই। মই তেখেত সকলে যি নীতি লৈছে সেই নীতিৰ কথাহে কৈছো। লগতে কব খুজো যে একো একোজন মন্ত্ৰীৰ ইমান প্ৰকাণ্ড ঘৰৰ প্ৰয়োজন কি? এওঁলোকে সেই ঘৰ বিলাকত ভাগকৰি

থাকিব পাৰে। অসমৰ নিচিনা এখন দুখীয়া ৰাজ্য য'ত জনসাধাৰণৰ খাবলৈ পিন্ধিবলৈ নাই সেই দেশৰ প্ৰতিনিধিত্ব কৰিবলৈ গৈ মন্ত্ৰীসকলে ইমান টকা ব্যয় কৰাটো উচিত হোৱা নাই। কৃষি মন্ত্ৰীৰ ঘৰত দেখিলো তেখেতৰ ঘৰত কি আচবাব, বিক্ৰিউদ্যোগৰ। যদি তেখেত সকলে জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰিব খুজিছে তেনেহলে জনসাধাৰণৰ Manded মানি চলিব লাগিব। ঠিক তেনেকুৱাকৈ বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৯৫ হাজাৰ টকীয়া গাড়ীবোৰ tourist ৰ ব্যৱহাৰৰ কাৰনেহে কিনিছে।

Shri Lakshmi Prasad Goswami :—Sir, মন্ত্ৰী সকলৰ ব্যক্তিগত কিছুমান বস্তু থাকে আৰু Refregiter টোও মোৰ নিজা বস্তুহে। বঙলা-বোৰত আগৰ বস্তু বিলাকেই আছে নতুন বস্তু দিয়া নাই অৱশ্যে কমালে নিশ্চয় ভাল হব।

Shri Dulal Chandra Barua :—মন্ত্ৰী মহোদয়ে যিটো Refregiter ললে সেইটো মন্ত্ৰী হোৱাৰ পাচত ললে নে? আগতেই ললে?

Shri Lakshmi Prasad Goswami : — চাৰ, এটা কথা মন্ত্ৰী হোৱাৰ ২ বছৰ হ'ল। মন্ত্ৰী হোৱাৰ লগে লগেই লৈ আহিছিলো মন্ত্ৰী হোৱাৰ ফলত হোৱা নাই। আগতেওঁ উপাৰ্জন কৰিছিলো।

Shri Rahimuddin Ahmed :—মন্ত্ৰী হোৱাৰ আগতে মন্ত্ৰীৰ Income কি আছিল?

Shri Lakshmi Prasad Goswami :— সেইটো দেখোন আপুনি-য়েই জানে?

Shri Dulal Chandra Barua :— উপাধ্যক্ষ মহোদয় Estate officer জনে মন্ত্ৰী সকলৰ comfort ৰ কাৰণেহে চিন্তা কৰে। সেইটো ইয়াত দেখুৱা নাই বেলেগেহে দেখুৱাইছে। কাৰণ খৰছ ইমান বাঢ়ি গৈছে যে বেলেগে দেখুৱাব লগা হৈছে। সদনক ফাঁকি দিবলৈ আৰু ৰাইজক ফাঁকি দিবলৈ এনেকুৱা কৰিছে। আজি আমাৰ চৰকাৰে ৰাজ্যপালৰ নামত

এটা বগাহাতী পুহিছে অকল বগাহাতীয়েই নহয় আকৌ তেওঁৰ tour programe এই tour ৰ খৰছ একেলগে ধৰা নাই তাৰেই আকৌ supplimantary demand আনিব। মন্ত্ৰী সকলৰ staff reduce কৰিব লাগে। কাৰণ তেওঁলোকৰ এজন P.S. হলেই দেখোন হয়? ইমানবোৰ P.S. ৰ কোনো দৰ্কাৰ নাই। তাৰ পাচত এই মন্ত্ৰী সকলৰ পাচত বহুত মানুহ দৌৰে বিশেষকৈ security personal ৰ কাৰণে কোনো ব্যৱস্থা নাই। তেওঁলোকক মন্ত্ৰীজনাই দয়া কৰি ভাত এসাজ খুৱালে খুৱাব নহলে তেওঁলোকে সেই ২½ টকা লৈ চলিব লাগে।

তাৰ পাচত মন্ত্ৰী সকলৰ conduct ৰ বিষয়ে সকলোৱে আলোচনা সমালোচনা কৰিছে। আজি কালি তেওঁলোকৰ কথা বতৰা বাতৰি কাকতত প্ৰকাশ হয়। আজি শাসন যন্ত্ৰ নিকা নোহোৱাৰ ফলতেই হাজাৰ হাজাৰ গাওঁৰ মানুহ ইয়ালৈ আহিব লগীয়া হৈছে। Hotel ত থাকিবলৈ ঠাই নাপাই বাৰান্দাত পৰি আছে। শাসন যন্ত্ৰ নিকা হোৱা হলে এই মানুহবোৰ ইয়ালৈ আহিব লগীয়া নহলহেতেন।

আজি মন্ত্ৰী সকল capitalist হাতত টো বিক্ৰি হৈছেই অফিচাৰ সকলৰো হাতৰ পুতলা হৈছে। সেইদিনা গোলাঘাটত Republic day চেলিউত লবলৈ যাওতে এজন Deputy মিনিষ্টাৰক S. D. O. ই যথেষ্ট বেয়া ব্যৱহাৰ কৰিছে। তেখেতে নিশ্চয় Chief Secretary বা Chief Minister ৰ দৃষ্টি আকৰ্ষন কৰিছে। আপোনালোকে officer সকলক এনেদৰে লাই দিছে তেওঁলোকে আপোনালোকৰ order নেমানেই order order হৈয়েই থাকে। তাৰ ওপৰি নগাওঁৰ M.L.A. সকলক অফিচাৰ সকলে অত্যন্ত বেয়া ব্যৱহাৰ কৰে।

সেই কাৰণে যদি তেওঁলোকে শাসন যন্ত্ৰ নিকা নকৰে তেতিয়া হলে আমি এই Grant টো দাবী কৰাত বিৰোধীতা কৰিম। যিহেতু তেওঁলোকে নিজ স্বাৰ্থৰ বাবে Bureaucratic পদ্ধতিৰে কিছুমান পুজিপতিৰ মানুহৰ সৃষ্টি কৰিছে।

Shri Giasuddin Ahmed :— Deputy Speaker Sir, I cannot resist the temptation of speaking a few words is support of this cut motion. Sir, while the Govt. is spending lakhs rupees on these Ministers numbering 21, I would like to say that it is uot the money that counts. The question is what is the out-turn that we are getting by spending such a huge sum of money In other words what is the service that we are getting from them ? To-day our country needs integrity of character and devotion to duty to build up the nation. My question is this : What example these hon. Ministers could set before the people example of integrity of character and devotion to duty ? The answer would be disappointing. Sir, the other day, I am sorry to say that a very peculiar sight I had to see in front of the Pinewood Hotel. I along with two of my friends was going to Pinewood Hotel to visit a friend of ours. There from a distance we saw a grand old man sitting in the lawn of the Hotel alone. He was alone there with a glass in his hand with some red substance at the bottom of the glass. I humoureusly told my friends that had Omar Khaiam been here he would have sung—

> "A jug of wine, a loaf of bread
> and thou beside me singing in the wilderness,
> O ! wilderness is paradise enou".

But there was no Omar Khaiam there nor even our Bhupen Hazarika to immortalise that semi-romantic scene. When we approached nearer I was surprised to see that this gentleman was none else but a Cabinet Minister sitting there in the lawn with a glass of wine in his hand openly and publicly. and this Government profess the policy of prohibition. ( Inturruption )

A Voice :— Who is the Minister ? Please name the Minister. I am not going to name. I feel pity for that gentleman, a good natured gentleman. But I could not help mentioning the incidencd before the house today. It is the example we are setting before the people ? How can the Government ask the people to follow the policy of prohibition while a Cabinet Minister drinks publicly in front of a hotel. This is an example which a Cabinet Ministers is setting before the public when the Chief Minister has brought a demand of Rs. 90 lakhs and odd to be voted by us for maintaining such ministers.

( Inturruption )

Shri Gaurisankar Bhattacharyya :— Sir, the conduct of Ministers should be above raproach. Thought the Government preaches the policy of prohibition ) at the same time they accommodate drunkards in the Ministry.

( Inturruption )

That is my point. Now, Sir, as regards the administrative capacity or efficiency of Ministers, I have some personal experience. Regarding this matter my friend Shri Dulal Chandra Barua has rightly said that there is a conflict between the Ministers and the officers. I also know there is perpetual conflict. The officers donot obey the Ministers and the Minister cannot ask them to follow their orders. There is no link between them. Due to collousness of the Ministers a huge sum of public money is wasted. Sir, I would not like to take much time I would like to suggest the number of Ministers should be reduced.

With regards to Secretariat, I do not find any reason why such a huge secretariat like this is maintained.

( A voice :— That does not come into the picture. )

M. Shamsul Huda :- माननीय उपाध्यक्ष महोदय आजि २१বছৰৰ পাচতে গতানুগতিক ভাৱে আমাৰ প্ৰশাসন চলোৱাত যি বাজেট ডাঙি ধৰিছে তাৰ নমুনা দেখি আমি সঁচাকৈয়ে হতাশ হৈছো। আজি ২১ বছৰে দেখা গৈছে যে, ইংৰাজৰ আমোলত যি গোলামী চলি আছিল সেই গোলামী আজিও চলি আছে। ইংৰাজৰ দিনত যেনেকৈ এজোজন Bureaucrator তলত আছিল আজিও কেনেকৈ একোজন Bureaucrator তলতে আছে।

আজি ২১ বছৰৰ পাচতো ৰাজ্যৰ Appointed-Bureaucrate জনক নিৰ্ব্বাচন কৰি বহুমুখীয়া কৰিবৰ ব্যৱস্থা কৰিব পৰা নাই বৰঞ্চ দেখা গৈছে যে, আগৰ যি গোলামী, সেই গোলামীকেই শক্তিশালী আৰু জাক-জমক পূৰ্ণ কৰা হৈছে।

আমাৰ ইয়াৰ বাজেটত দেখুৱাইছে যে ১৯৬৭-৬৮ চনত ৪৮ হাজাৰ টকা আছিল। গৰ্ভনৰৰ দৰমহা বাবদ– কিন্তু আজি আমি তাত দেখিছো - সেই টকাৰ পৰিমাণ ৬৬ হাজাৰ হয়ছেগৈ। সেইদৰেই গৰ্ভৰ্ণৰৰ দৰমহাৰ বাহিৰেও ২২ হাজাৰ ৬শ টকা Other Allowance হিচাবে ধৰা হৈছে।

কেৱল সেইটোৱেই নহয়। উপাধ্যক্ষ মহোদয় grant No (A) 5. Page 48ত দেখুউৱা হৈছে যে, ৭০২৫০ টকা আছে Tour-Expenseহিচাবে। তাৰ বাহিৰেও এইটো আচৰিত কথা যে Contingency ত দেখুৱাইছে ৩৫০০ টকা অৰ্থনীতিৰ সাধাৰন নীতি মতে কোনো ক্ষেত্ৰতে Contingency ৫ / তকৈ বেচি হোৱা উচিত নহয়। কিন্তু ইয়াত দেখা যায় প্ৰায় ৮% Contingencyত ধৰা হৈছে। তাৰোপৰি আজি মন্ত্ৰী সকলে Discrinery Grantত লক্ষ-লক্ষ টকা ধৰিছে কিন্তু সেই টকা কি দৰে কোন ভাৱে, মন্ত্ৰীসকলে খৰচ কৰিছে আমি সাধাৰণ মানুহে তাৰ পৰা কোনো উপকাৰ পোৱা নাই।

আজি মন্ত্ৰীসভাত আমি দেখিবলৈ পাইছো যে, ইয়াত ২১জন মন্ত্ৰী আছে। অথচ সেই ২১জন মন্ত্ৰীত অজস্ৰ ৰাজহুৱা ধনৰ অপচয় হৈছে। আজি ২১জন মন্ত্ৰীৰ কাম ১২জন মন্ত্ৰীয়েই চলাব পাৰে আৰু টকাও কিছু

সঞ্চয় কৰিব পাৰে মুখ্যমন্ত্ৰী আৰু লগতে ৫ জন পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰী, ৩জন States Minister আৰু ২জন Deputy Minister এই ১১জন মন্ত্ৰী বাকী ১০ জন কৰ্তন কৰিবৰ ব্যৱস্থা কৰিলে অন্ততঃ কমপক্ষেও ১লক্ষ্য টকা সঞ্চয় আৰু ৰাহি হব পাৰে। তাৰ পিচত মন্ত্ৰী পৰিষদৰ সংখ্যা কমালে ভ্ৰমণ বাবত অন্তত কম পক্ষেও ১½ লক্ষ্য টকা ৰাহি কৰিব পাৰিব।

এই মন্ত্ৰীসভাৰ মাজত এখন আঞ্চলিক পঞ্চায়ত চলিচে। আৰু এ পঞ্চায়তৰ সংখ্যা কমালে তাৰ থকা মেলাৰ কাৰণে যি খৰচ ঘৰ ভাৰাত হয় সেইটো অতি কম পক্ষেও ৫০ হাজাৰ বা ২০হাজাৰ টকা ৰাহি হব পাৰে। ইয়াৰ উপৰিও Contingency ত যিবিলাক টকা ধৰা হৈছে আৰু কোনো কোনো ক্ষেত্ৰত এই Contingency ত ১৫%.লৈ আছে। অতি আচৰিত কথা যে, আজি ১০% লৈ Contingency কেনেকৈ হব পাৰে। Page 50 (No) 5 ত দেখিছো ২৫%. Contingency বাজেতট আছে। এইটো অতি আচৰিত কথা বাজেট কৰিবলৈ যাওতে ২৫ Contingency হব পাৰে এইটো., কোন অৰ্থনীতিক বিদে কি নীতিত বাজেট ৰচনা কৰিছে কব নোৱাৰো আৰু দেখা যায় Contingency ত ৩৮ হাজাৰ টকা ৰাহি কৰিব পাৰে। এই দৰে ওপৰে ওপৰে চালে দেখা যায় ১০নং Grant টোত যি টকা ধৰা হৈছে তাত কমকৈ ৩লক্ষ্য টকাৰেই চলাব পাৰিব।

আৰু এইদৰেই বহু টকা চৰকাৰে ৰাহি কৰিব পাৰে। কেৱল টকা ৰাহি কৰাই প্ৰশ্ন নহয়। আজি যি শাসন চলিছে আৰু যি বগা হাতী পুহিছে তাৰ পৰা একুৰি—ডেৰকুৰি বছৰে কি উপকাৰ পাইছো? উপকাৰ হিচাবে এইটো হৈছে যে, খেতিয়কৰ মাজত আজিৰ চৰকাৰৰ শাসনে দুৰ্ভিক্ষৰ সৃষ্টি কৰিছেই কৃষকসকলক বেকাৰ কৰিছে। কৃষকসকলক সন্তোষ দিব পৰা ব্যৱস্থা চৰকাৰে কৰা নাই।

কৃষি আৰু কৃষি আচঁনিৰ ক্ষেত্ৰত পুনৰ বাসনৰ ব্যৱস্থা চৰকাৰে কৰিব পৰা নাই। অন্যহাতে দেশৰ মন্ত্ৰীসভাই আজি আমাৰ দেশক, আমাৰ জাতিক পুজিপতিক বিক্ৰী কৰি দিছে। আৰু আমি দেখিছো কৃষি ক্ষেত্ৰত

আৰু অন্যান্য ক্ষেত্ৰত আজি সা-সৰঞ্জাম যোগানৰ নামত দেখা গৈছে পশ্চিম জাৰ্ম্মানিৰ পুজিপতি সকলক মাতি আমি ইয়াত ঠাই দিছে। এনেকৈ পশ্চিম জাৰ্ম্মানিৰ পুজিপতি সকলক আমাৰ এই মন্ত্ৰী সভাই ঠাই দিছে। কেৱল সেয়ে নহয় অসমত বিৰলা, টাটা আদি পুজিপতি সকলক এই চৰকাৰেই শিল্পৰ নামত, কৃষি উদ্যোগৰ নামত ঠাই দিছে। আজি দেখা গৈছে যে এই গণতন্ত্ৰৰ দেশত ৰাজ্যপাল আৰু তেখেতৰ কেৰানী কাম কৰা এই মন্ত্ৰীসকলে পুঁজিপতি সকলৰ সন্মুখত তেখেত সকলৰ জীৱন সমৰ্পন কৰি দিছে। ফলত আজি জনসাধাৰনৰ ওপৰত কৰ কাটলৰ হেচা বেছি হৈছে। আৰু তেওঁলোকক শোষণ কৰা হৈছে। আজি বেছি ভাগ মানুহেই খাবলৈ পোৱা নাই। এনে অৱস্থাত আজি ৰাজ্যপালে ৭১/৭২ হাজাৰ টকা ভ্ৰমনত খৰচ কৰিছে আৰু হাজাৰ হাজাৰ টকা চিকিৎসাত খৰচ কৰিছে। মন্ত্ৰীসকলে ২৭ লাখ টকা ভ্ৰমন বানচ লৈছে।

Shir Mahendra Mohan Choudhury— ভ্ৰমনত বানচ ৩ লাখহে মাত্ৰ।

M Shamsul Huda— উপাধ্যক্ষ মহোদয় ৩ লাখ টকাও কম নহয়। দুখীয়া জনসাধাৰাণ ৩টকাও খৰচ কৰি খাবলৈ পোৱানাই। দুখীয়া মানুহে খাবলৈ নাপায় মৃত্যুবৰণ কৰিছে আনহাতে মন্ত্ৰীসকলে ৩ লক্ষ টকা ভ্ৰমণ বানচ লৈছে। কিন্তু ভ্ৰমণ কৰি কৃষি ক্ষেত্ৰত বা অন্য ক্ষেত্ৰতেই কিবা উন্নতি কৰিব পাৰিছে জানো? আজি পুঁজিবাদৰ ওচৰত এই চৰকাৰে সমগ্ৰ দেশ খনকে বিক্ৰী কৰি দিছে। আনহাতেদি আমি দেখিছো তেওঁলোকে জনসাধাৰনক শোষণ কৰিবলৈ তলত কিছুমান Staff ৰাখিছে। এই অধিক সংখ্যক Staff অনাবশ্যকীয়।

( Bell )

উপাধ্যক্ষ মহোদয় মোৰ নিজৰে এই বিষয়ে Cut motion আছে। গতিকে মোক বেছি কৰ দিব লাগে।

Mr. Deputy Speaker—But you cannot have unlimited time. This is not a general debate.

M. Shamsul Huda এই ক্ষেত্ৰত দেখিছো যে বহুতো Staff এনেই Maintain কৰা হৈছে। মাত্ৰ জনসাধাৰনক শোষণ কৰিবলৈ। এই Staff ৰ ভিতৰত আজি যিবিলাক সৰ্ব্বভাৰতীয় I.A.S. officer তেওঁলো-লোকৰ ব্যৱহাৰত ইতিমধ্যে জনসাধাৰণ অতিষ্ট হৈ গৈছে। তেওঁলোকৰ পৰা মুক্তি পাবলৈ পথ নোহোৱা হৈছে। অকল জনসাধাৰনেই নহয় তেওঁ-লোকৰ ব্যৱহাৰ ৰাইজৰ প্ৰতিনিধি সকলৰ প্ৰতিও অতি বেয়া।

( Voices : Shame ! Shame ! )

উপাধ্যক্ষ মহোদয় আপুনি হয়তো নাজানে যে এই Staff Manitain কৰিবলৈ গৈ জনসাধাৰণক বৰদাস্ত কৰিব খুজিলেও বৰদাস্ত কৰিব নোৱাৰে। মই মোৰ নিজ অভিজ্ঞতাৰ পৰা এটা কথা কব খুজিছো অৱশ্যে মই তেতিয়া M. L. A হোৱা নাছিলো –তেতিয়া মিকিৰ ৰাইজ কিছুমান আহি কলে যে তেওঁলোকৰ গছ-গছনি কাটি নাইকীয়া কৰিব ধৰিছে। তেতিয়া মই এই কথাটো আয়ুক্তৰ ওচৰত ডাঙি ধৰিব গলো—আয়ুক্তজন I.A.S অফিচাৰ। কিন্তু তেওঁ মোক ৰুমৰ পৰা get out কৰি দিলে।

উপাধ্যক্ষ মহোদয় মই দুখেৰে এই সদনত এটা কথা কব খুজিছো যে নগাওঁ জিলাৰ আয়ুক্তৰ ওচৰলৈ এদল খেতিয়ক ৰাইজৰ লগত গলো আৰু তেওঁলোকৰ দুখৰ কথা জনালে কিন্তু আচৰিত কথা—আয়ুক্তই ৰাইজৰ আগত অপমান জনক ব্যৱহাৰ আৰম্ভ কৰিলে। কলে I dcnot care for M.L.A you can go to the Assembly and living a Motion against me. কেৱল সেয়ে নহয় আমাৰ এই সদনৰ মাননীয় সদস্য Musauri চাহাৱক ও I. A S অফিচাৰ এজনে বেয়া ব্যৱহাৰ কৰিছিল। in English ..... you may be M. L. A. you are M. L. A. in the Assembly only.

(Voices : Shame ! Shame ! )

আজি এই গণতন্ত্ৰৰ দিনত অকল আমাৰ ৰাইজৰ প্ৰতিনিধি সকলকে

অপমান কৰা হোৱানাই, লগে লগে এই সন্মানিত সদনকও অপমান কৰা হৈছে।

( Voices : Shame ! Shame ! )

উপাধ্যক্ষ মহোদয় আপুনি নাজানে যে আমেৰিকাৰ দৰে ইয়াতো Burocracy বা স্বৈৰ তন্ত্ৰ চলোৱাৰ ষড়যন্ত্ৰ কৰিছে, এই চৰকাৰে। উপাধ্যক্ষ মহোদয়, শেহতীয়া ভাৱে কেন্দ্ৰীয় চৰকাৰে সচিবালয়ৰ কৰ্ম্মচাৰী সকলক Notice দিছে যে তেওঁলোকৰ ভাই ভতিজা কোন কোন কি Party ত আছে সোনকালে জনাব লাগে। লগতে এইটোও কোৱা হৈছে যে যদি ভূল খবৰ জনাই তেনেহলে মিছা বুলি অভিযোগ কৰা হব আৰু খবৰ নজনালে তেওঁলোকৰ চাকৰি যাব। এই উদ্দেশ্যে ইংৰাজৰ দিনৰ স্বৈৰতন্ত্ৰ চলোৱাৰ ফন্দি পাতিছে এই চৰকাৰে। মন্ত্ৰী সকলে বোধহয় নাজানে যে তেওঁলোকে গণতন্ত্ৰ চলোৱা নাই, চলাইছে I. A. S. Officer সকলে। এই চৰকাৰ তেওঁলোক গালৰ মাহটোৰ দৰে ওলমি আছে আৰু তাক চিঙি দিয়াৰ ব্যৱস্থাও চলিছে। অকল সেয়ে নহয়— চৰকাৰে লক্ষ্য লক্ষ্য টকা অপব্যয় কৰিছে গণতন্ত্ৰৰ নামত কিন্তু জনসাধাৰণৰ ভাত কাপোৰৰ সংস্থান কৰিব পৰা নাই। আজি যি সকল চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী তেওঁ-লোকে ১৫/২০ বছৰ চাকৰী কৰাৰ পিচতো Confirm কৰিব পৰা নাই। চতুৰ্থ শ্ৰেণীৰ চাকৰীয়াল সকলে তেওঁলোকে চাকৰীৰ পিচত কি কৰিব তাৰ কোনো ব্যৱস্থা এতিয়াও কৰিব পৰা নাই। আকৌ তৃতীয় শ্ৰেণীৰ কৰ্ম্ম-চাৰীৰ ক্ষেত্ৰতও তেওঁলোকে ১৫/২০ বছৰ চাকৰী কৰাৰ পাচতো কোনো Confirm ব্যৱস্থা লব পৰা নাই। তেওঁলোকৰ Need based Pay টোকো দিব পৰা নাই। চতুৰ্থ শ্ৰেণীৰ বা তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী যিসকলে শাসন যন্ত্ৰ পৰিচালনা কৰে বা ঘণ্টাৰ পিচত ঘণ্টা জুৰি অফিচত কাম কৰে তেওঁলোকৰ কোনো ব্যৱস্থা নোহোৱাটো দুখৰ কথা। গতিকে উপাধ্যক্ষ মহোদয়, এই বাজেটৰ যিটো দাবী এই দাবী টাৰ বিৰোধিতা কৰিছো। লগতে শেষতীয়াকৈ এই কথাৰ সতৰ্ক কৰি দিছো যে যদি সচাকৈ এই চৰ-কাৰে গান্ধী শত বাৰ্ষিকী পালন কৰিব খোজে বা গান্ধীৰ প্ৰতি শ্ৰদ্ধা জনাব খোজে তেনেহলে গতানুগতিক এই ব্যৱহাৰ পৰিবৰ্ত্তন কৰক, শাসন যন্ত্ৰ

সংস্কাৰ কৰক। নহলে এই গান্ধী শত বাৰ্ষিকীৰ বছৰতে জনসাধাৰণৰ সন্মুখত এই চৰকাৰে এই নীতিৰ কৈফিয়ৎ দিবলৈ বাধ্য হব লাগিব। নহলে এই চৰকাৰক জনসাধাৰণে পছু খেদা দিব বা চিৰা খুণ্ডা দিব। ইয়াকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো দাঙি ধৰিলো।

Shri Soneswar Bora :—অধ্যক্ষ মহোদয়

Mr. Deputy Speaker :— মই এই খিনিতে মাননীয় সদস্যসকলৰ নজৰলৈ আনিব বিচাৰিছোঁ যে— আমাৰ বিধান সভাৰ ১৪৫ ধাৰা মতে এই কৰ্ত্তন প্ৰস্তাৱত যি দৰে Economy-cut কৰিব পাৰি সেইটোহে কব লাগে, তাৰ বাহিৰে আন কথা কব নালাগে।

Shri Sonewsar Bora :—মই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি যিটোৰ ওপৰত তুৱাষাৰ মান কবলৈ বিচাৰিছো যে, বাজেটতৰ ৰাজ্যপাল আৰু মন্ত্ৰীসকলৰ কাৰণে যি খিনি টকাৰ দাবী অনা হৈছে মই সেই টকা দিবলৈ ৰাজি নহও। ৰাজ্যপালৰ ভাষনৰ ওপৰত বক্তৃতা দিওঁতেও কৈছিলোঁ আৰু এতিয়াও পুনৰোক্তি কৰি কওঁ যে দেশত গনতন্ত্ৰৰ শাসন ব্যৱস্থাৰ কাৰণে ৰাজ্যপাল পদৰ কোনো দৰকাৰ নাই। বগাহাতী পোহা নীতি ত্যাগ কৰিব লাগে ৰাজ্যপালৰ পদ-উঠাই দিবলৈ কেন্দ্ৰক ৰাজ্যই দাবী জনাব লাগে। অসমৰ ৰাজ্যপাল জনৰ কাৰণে অৰ্থাৎ তেনেদৰে খোৱা পিন্ধা, আচবাব, মটৰগাড়ী লিকচৌ; চিপাহী চন্তৰীকে ধৰি অন্ততঃ প্ৰতি মাহে দুই লাখ টকা খৰচ কৰিব লাগে। যি সময়ত আমাৰ মানুহৰ এমুঠি খাবলৈ নাই এডোখৰ পিন্ধিবলৈ নাই ৰোগীৰ মুখত দিবলৈ এপালি দৰব নাই, কেচুৱাৰ মুখত দিবলৈ এটুপি গাখীৰ পাবলৈ নাই। সেই সময়ত ৰাজ্যপালৰ বিলাতী কুকুৰটোৰ কাৰণেও তাক গাঁধোৱাবলৈ, তেল ঘঁহিবলৈ, নুম ফনিৱাবলৈ মানুহ দিও। কুকুৰটোৰ চিকিৎসাৰ কাৰণেও এজন ডাক্তৰৰ সুবিধা পায়। কুকুৰটোৰ কাৰণেও শীত তাপ নিয়ন্ত্ৰনৰ ঘৰ পায় অথচ এই খন দেশতে মানুহৰ এমুঠি খাবলৈ নাই। থাকিবলৈ একোঠা ঘৰ নাই। তদুপৰি মন্ত্ৰী-সকলেও বহু অন্যান্য ভ্ৰমন কৰি অনেক ভ্ৰমন বানচ লৈছে। মন্ত্ৰীসকলৰ ভ্ৰমনবোৰ টকা ঘটাৰ মনোবৃত্তিহে কৰা যেন বহু ক্ষেত্ৰত দেখা যায়। মন্ত্ৰীসকল

অসমৰ জনসাধাৰনৰ লগত খাপ খোৱাকৈ চলাটোহে বাঞ্চনীয়। মন্ত্ৰীসকলে এইটোও চাব লাগে যে. আমাৰ ৰাজ্যৰ এই ঘাটি বাজেটৰ সময়ত ইমান খৰচ জনসাধাৰণে সহ্য কেনেকৈ কৰিব? আমাৰ বিত্ত মন্ত্ৰীয়ে বাজেট বক্তৃতা, চাহ খেতিৰ দুৰবস্থাৰ কথা উল্লেখ কৰিছে। মই নিজে খবৰ লৈ ভূপোৱা এটা কথা তেখেতক আৰু সদনক জনাই থব খোজো যে। আগৰ বছৰত বিলাতী চাহ খেতিয়কে অসমৰ আৰু বিলাতলৈ তিনি কোটি টকা পঠাইছিল। চাহ খেতিয়কে এই পৰিমানৰ বৰ্দ্ধিত টকা বিলাতলৈ পঠাবলৈ কেনেকৈ পালে।

Shri Kamakhya Prasad Tripathi (Minister Finance)—মাননীয় সদস্যই বোধহয় নিশ্চয় জানে যে, ব্যক্তিগত সম্পতি বিক্ৰী কৰিবৰ সকলোৰে অধিকাৰ আছে।

Shri Atul Chandra Goswami :— যিবিলাকে চাহ বাগিচা বিক্ৰি কৰিছে সেই টকা অসম চৰকাৰ বা ভাৰত চৰকাৰক হুকুম লৈহে টকা বাহিৰলৈ পঠোৱা হয়। সেই কথা মন্ত্ৰী মহোদয়ে নাজানেনে কি?

Shri Kamakhya Prasad Tripathy— বাগিচা বিক্ৰি কৰিবলৈ আমাৰ অনুমতি নালেগে।

Shri Soneswar Bora :—আজি সমতাৰ কথা কোৱা হৈছে। কিন্তু দৰাচলতে জানো দেশত সমতা ৰক্ষা কৰা হৈছে? মই পুনৰ কওঁ আজি যি সময়ত মানুহে দুবেলা-দুমুঠি খাবলৈ পোৱা নাই, দহ বছৰীয়া ছোৱালী পৰ্য্যন্ত নঙঠা হৈ থাকিব লগা হৈছে সেই সময়ত আমাৰ মন্ত্ৰী সকলৰ ভ্ৰমণ বানচৰ যি সংখ্যা দেখিবলৈ পাইছোঁ সেইটো অত্যন্ত পৰিতাপৰ কথা। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰো যে, মন্ত্ৰী সকল মিতব্যয়ী হওক। আৰু অপচয় প্ৰথমে তেখেতসকলেই বন্ধ কৰক। ৰাজ্যপালৰ পদটো উঠাই দিলে সেই টকাখিনিৰে আমাৰ ৰাজ্যৰ বহুখিনি সমস্যা সমাধানটো হবই তদুপৰি গণতন্ত্ৰও দেশত ৰক্ষা পৰিব। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰক দাবী কৰিব লাগে। (Voice—অসম চৰকাৰে এই পদটো উঠাই

দিব পাৰিবনে ) ? অসম চৰকাৰে নোৱাৰে সেইটো জানো। কিন্তু অসম চৰকাৰে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰক দাবী কৰিব লাগে।

ৰাজ্যপাল আৰু মন্ত্ৰী সকলৰ পৰা আৰম্ভ কৰি দেখাদেখিকৈ অফিচাৰলৈকে ভ্ৰমণৰ মই এই থিনিতে আৰু এটা কথা কওঁ—আমাৰ বহুত ই, এ চি, এছ, ডি, ছি বিষয়াক থাকিবলৈ চৰকাৰী ঘৰ আদি দিব পৰা নাই। ফলত তেওঁলোক ধনী মানুহৰ ভাৰা ঘৰত থাকিব লগা হয়। এনে ধনী লোক সকলৰ আদালতত যথেষ্ট গোচৰ থাকে। এনে ধৰণে ঘৰ ভাৰা দিয়া কোনো ধনী লোকৰ যদি তেওঁৰ ঘৰ ভাৰা লোৱা হাকিমজনৰ আদালততে কিবা গোচৰ চলে তেনে বিভিন্ন কাৰণত তেনে হাকিম জনৰো সেই ঘৰৰ মালিকজনৰ প্ৰতি দুৰ্ব্বলতা থাকিব পাৰে। পৰিণামত গোচৰৰ ৰায়য়ো ন্যায় সঙ্গত নোহোৱা কেতিয়াবা কেতিয়াবা দেখিবলৈ পোৱা যায়। গতিকে এনে হাকিম সকলক ভাৰা ঘৰত কোনো পধ্যেই ৰাখিব নেলাগে। গতিকে আৱশ্যকীয় চৰকাৰী ঘৰ সাজিব লাগে।

এফালে বিচাৰ জগতটো এনে বৈষম্য আপোনালোকৰ দুস্কৃতিৰ কাৰণেই হয় আনফালে আপোনালোকে নিজৰ সুবিধাৰ কাৰণে অশেষ টকা পাচ কৰাই লৈ ভোগ কৰিবলৈ বিচাৰে। গতিকে এই টকা দিবলৈ আমি ৰাজি নহওঁ।

## ADJOURNMENT

The House then adjourned for lunch till 2 P. M.

( After Lunch )

Shri Atul Chandra Goswami :— উপাধ্যক্ষ মহোদয়, এই দহ নম্বৰ গ্ৰাণ্টত ৰাজ্যপাল আৰু মন্ত্ৰী সকলৰ দৰ্মহা আৰু ভ্ৰমণ বানচৰ কাৰণে যিখিনি টকাৰ দাবী উত্থাপন কৰিছে, তাত আপত্তি কৰিবলৈ নাথাকিল

হয়, যদিহে ৫০ কোটি ২৮ হেজাৰ টকাৰ ঘাটি বাজেটৰ সন্মুখীন হব লগীয়া নহল হয়। বাজেট বক্তৃতাত ৰাজ্যৰ জনসাধাৰণক কঠোৰ আৰু টান কাম কৰিবলৈ আহ্বান জনোৱা হৈছে। কিন্তু এই বাজেটৰ পৰিপ্ৰেক্ষিতত এই দাবী সমৰ্থন কৰিব নোৱাৰে।

যি হওক যি দৰে জনসাধাৰণক কঠোৰ কামৰ বাবে আহ্বান জনোৱা হৈছে ঠিক সেইদৰে যদি মন্ত্ৰী সকলে নিজেও আগবাঢ়িল আহিল হয়, তেন্তে এই আহ্বানৰ যুক্তি যুক্ততা সমৰ্থনযোগ্য হল হয়। কিন্তু মন্ত্ৰী সকলে যি দৰে আহ্বান জনাইছে সেইদৰে নিজে আগবাঢ়ি আহিব পৰা নাই। মন্ত্ৰীসকল যে সাধাৰণ মানুহৰ মাজৰ লোক বা কোনো নদাই-ভদাইৰ লৰা সেইটো পাহৰি গৈছে। আৰু নদাই ভদায়ে কি দুখত ভূগিছে, সেইটো অনুভৱ কৰিব নোৱাৰে।

গান্ধীজী জনসাধাৰণ প্ৰতিনিধিয়েই নাছিল তেওঁ নিজেই সেইমতে জনতা আছিল সেয়ে গান্ধীজীয়ে জনতাৰ পোচাক পিন্ধিছিল আৰু সবল জীৱন যাপন কৰিছিল। কিন্তু আমাৰ মন্ত্ৰীসকলৰ বচন, ভোজন আৰু ভাষণত জনসাধাৰণৰ লগত বহুত পাৰ্থক্য আছে। মন্ত্ৰীসকলে দৰ্মহা বাসস্থানৰ সুবিধা ইত্যাদিও কি পাইছে আৰু যি জনসাধাৰণৰ দ্বাৰাই তেওঁলোক মন্ত্ৰী হৈছে তেওঁলোকৰ আৰু বাইজৰ মাজত থকা পাৰ্থক্য চিন্তা কৰি চোৱা দৰ্কাৰ। আমাৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰিছে এওঁলোকেই। মই যিদিনা গান্ধীজীৰ প্ৰতিমূৰ্ত্তিৰ বাবে টকা খৰচ নকৰি সেই টকাৰে ফেৰিহাতৰ জেইল খন ৰাষ্ট্ৰীয় যাদুঘৰ কৰক বুলি কোৱাত মোৰ অনুপস্থিতি মোৰ উক্তি সমালোচনা কৰা হৈছিল। যদি আপোনালোকে গান্ধীবাদৰ উত্তৰাধীকাৰী বুলি ভাবে, তেন্তে আপোনালোকে তেওঁক আপোনালোকৰ বেয়া কামৰ দ্বাৰা স্বৰ্গৰ পৰা নমাইহে আনিব।

এই যে মটৰ গাড়ীৰ কাৰণে ১ লাখ ৯৫ হেজাৰ টকা বিচাৰিছে, সেইখিনি টকা বিচৰাত আমাৰ নিচিনা এখন দুখীয়া দেশত উচিত হৈছে নে? যি সময়ত

আমাৰ দেশৰ মানুহৰ খাবলৈ নাই সেই সময়ত আপোনালোকক ১,৯৫০০০ টকাৰ গাড়ী কিয় লাগে। আমি M. L. A. সকলে যি সুবিধা পাইছোঁ, সেইটো মই বেছি বুলিহে ভাবো। আপোনালোকে যি ঘৰত থাকে M L. A. সকলে থকা ঘৰ নহলেও আমাৰ ঘৰতকৈ বহুত ভাল। গতিকে আপোনালোকে ২১ বছৰে যি কৰিলে কৰিলেই মটৰ গাড়ীৰ কাৰণে যি খৰচ কৰিছে সেইটো কমাওক। ৰাইজৰ টকা ৰাহি কৰক। আৰু জন-সাধাৰণৰ আৰু লগতে সমভাৱে জনসাধাৰণৰ অংশীদাৰ হবলৈ আগবাঢ়ি আহক। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিলোঁ।

Shri Kamini Mohan Sarma— অধ্যক্ষ মহোদয়, এই cut-m ion টো সমৰ্থন কৰি কব বিচাৰিছো যে আমাৰ মন্ত্ৰী সভাত যিটো পৰিবেশ হৈছে এই পৰিবেশে আতঙ্কৰ সৃষ্টি কৰিছে। মন্ত্ৰীৰ সংখ্যা বাঢ়িছে। এই-দৰে বাঢ়ি থাকিলে ৰাজ্যৰ কামতকৈ অৰ্থব্যয়ৰ বোজাহে বাঢ়ি যাব। বিভিন্ন বিভাগত ইমান বিলাক মন্ত্ৰী ৰাখি কোনো কাম হোৱা নাই আৰু জন-সাধাৰণৰ কামত অহা নাই। তাৰোপৰি গাৱেঁ-ভূঞে মন্ত্ৰী সকল যেতিয়া ভ্ৰমণত যায়—আৰু সেই সেই ঠাইত যিবিলাক প্ৰতিশ্ৰুতি দি আহে সেই বিলাকো বাস্তৱত পৰিণত হোৱা দেখা নাই। মন্ত্ৰী সকলে প্ৰতিশ্ৰুতি দি আহি সেইমতে কাম কৰিব নোৱাৰাটো দুখৰ কথা।

Shri Kamakhya Prasad Tripathy— মাননীয় সদস্যৰ সমষ্টিত State Bank এটা সোনকালে হব।

Kamini Mohan Sarmah—সেইটো ভাল কথাই হব। মই ইয়া-কেই কব খুজিছো যে মন্ত্ৰী সকলে সাধাৰণতে যি প্ৰতিশ্ৰুতি দিয়ে সেই প্ৰতিশ্ৰুতি মতে কাম নহয়।

এই বাজেটত পুৰণি স্মৃতি সমূহ সংৰক্ষণ কৰি ৰখাৰ কোনো ব্যৱস্থা নাই।

আনহাতে অসম এখন পুৰণি স্মৃতি বিজড়িত ৰাজ্য। ই পুৰণি ঐতি-হাসিক মঠ-মন্দিৰৰ কাৰণে বিখ্যাত। এই বিলাকৰ ঐতিহ্য ৰক্ষাৰ ব্যৱস্থা চৰকাৰে কৰা নাই।

Mr. Speaker—এই কথাবিলাক এই শিতানত আহিব নেলাগে। প্ৰশাসনিক বিষয়ে আপোনি কওক।

Shri Kamini Mohan Samra--সেই সমৰ্পকেও মই কব খুজিছো যে, আনকি বিত্ত মন্ত্ৰী মহোদয়েও দি অহা প্ৰতিশ্ৰুতি কাৰ্য্যত পৰিণত হোৱা নাই।

বান-পানী নিমন্ত্ৰণৰ Sub Committee এটা সদনত গঠিত হৈছিল যোৱা ১৯৬৮ চনত এই কমিটি এবাৰো নবহিল। অথচ মোৰ এটা প্ৰশ্নোত্তৰত বিভাগীয় মন্ত্ৰী মহোদয়ে কৈছিল বানপানী নিমন্ত্ৰণত ৮ লাখৰো অধিক টকা খৰচ হৈছে তিনিখন ঠাইৰ ভঙা বান্ধ বান্ধোতে। কিন্তু এই চাৱ কমিটি বহুৱাব পৰা নাই।

Shri Mohandra Mohan Chaudhuury— বান নিমন্ত্ৰণ সম্পৰ্কত এটা উপদেষ্ঠা কমিটি আছে। বাননিয়ন্ত্ৰণ সম্পৰ্কত এওঁলোকে আগবঢ়োৱা পৰামৰ্শ আৰু আচনিমতে কাম কৰা হয়। কিন্তু বান্ধ ভঙ্গা কামৰ সম্পত উপদেষ্ঠা কমিটি পৰামৰ্শ নেলাগে।

Shri Kamini Mohan Sarma—বাননিমন্ত্ৰণ কমিটিয়ে বাননিমন্ত্ৰণ সম্পৰ্কত বহুতো কাম কৰিব পাৰে।

মন্ত্ৰীসকলৰ পৰিসৰ বৃদ্ধিৰ লগে লগে ব্যয়ৰ পৰিমান বাঢ়িছে। গাড়ীৰ খৰচ, ঘৰৰ ভাড়া, ভ্ৰমন বানচ সকলোতে বাঢ়িছে যদিও সেই পৰিমাণৰ কাম হোৱা নাই। অৰ্থব্যয় যিমান হয় সেইমতে ৰাইজৰ উপকাৰ হব লাগে। ৰাজ্যপালৰ ক্ষেত্ৰত অপ্ৰয়োজনীয় ভাবে বহু টকা খৰচ হয়।

ৰাজ্যপালৰ ভ্ৰমণো অনবৰত হৈ থাকে এই ভ্ৰমণ কমাব লাগে। ৰাজ্যপাল কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আৰু সেই হিচাবে তেখেতে ৰাজ্যখনত ভ্ৰমণ কৰাৰ কোনো কাম নাই। ৰাজ্যপালৰ শিতানত ৭,৫০০ টকা, মুখ্যমন্ত্ৰীৰ ৩,৫০০ টকা আৰু অন্যান্য মিনিষ্টাৰ সকলৰ বাবদ ২৭৫০০ টকা ধৰিছে। মই ভাৱো ৰাজ্যপালৰ হাতত ইমান টকা ৰখাৰ কোনো প্ৰয়োজন নাই। আনহাতে মুখ্যমন্ত্ৰীৰ হাতত বেচি টকা ৰখাৰ প্ৰয়োজন। মন্ত্ৰীসকলে যি পৰিমাণৰ টকা পায় সিমানখিনি M L.A. সকলেও পাব লাগে। অন্ততঃ বছৰত এহেজাৰ টকা বিলাব পৰাৰ ক্ষমতা M. L. A. সকলেও পাব লাগে।

ৰাজ্যপালক আমাৰ এটা বগা হাতী বুলিব পাৰি। যিহেতুকে এইটো এটা সাংবিধানিক পদবী আৰু ইয়াক ৰাখিবই লাগিব। গতিকে ৰাজ্যপালক আমি চিলঙতে আবদ্ধ ৰাখিব লাগে। এই সংসদ উদ্বোধনী কৰিবলৈ বা তেনে ধৰণৰ কোনো কামৰ কাৰণে ৰাজ্যপালৰ ভ্ৰমণ কৰাৰ কোনো আৱশ্যক নেদেখো। মহাত্মা গান্ধীৰ আদৰ্শত এই চৰকাৰ চলিছে বুলি কয়। এনে অৱস্থাত আমাৰ মন্ত্ৰীসকলক ৯৫ হাজাৰ টকাৰ গাড়ী বিয় লাগে। আমাৰ চৰকাৰে গান্ধীবাদৰ নাম লৈ গান্ধীক বাদ দিহে চলিছে। অকল গান্ধীৰ প্ৰতিমূৰ্ত্তি সাজিলেই নহয়। গান্ধীজীয়ে স্বাধীনতাৰ পাচত যিখন সমাজ গঢ়াৰ আঁচনি কৰিছিল সেই আঁচনি আৰু সেই আদৰ্শৰ জৰিয়তে আজি আমাৰ ক্ষমতাত অধিষ্ঠিত চৰকাৰে এই পনটোটে চলিব লাগে আৰু আমাৰ দেশ গঢ়িব লাগে। এই গান্ধী শতবাৰ্শিকী বছৰত ৯৫ হাজাৰ টকীয়া গাড়ী বৰ্জন কৰি জনসাধাৰণৰ লগত মিলি চলিব লাগে। আজি মন্ত্ৰী সকলৰ মাজতো ক্ষমতা নাই। এজনে ৯৫ হেজাৰ টকীয়া গাড়ী লৈছে আৰু আনজনে ভগা Ambessador গাড়ীতে চলিছে। এই গাড়ীতেই আমাৰ বাজহ মন্ত্ৰী অসমৰ ইমূৰৰ পৰা সিমূৰলৈ তাকুৰি ঘূৰাদি ঘূৰি ফুৰিছে। তেখেতৰ ভ্ৰমণৰ পৰা বা বক্তৃতাৰ পৰা জনসাধাৰণৰ কিবা লাভ হৈছে নে নাই কব নোৱাৰো। কিন্তু বাস্তৱত তেখেতেই নানা ঠাইলৈ যোৱা আমি গম পাও। আজি ঘাটি বাজেটৰ দিনটো ইমান দামী মটৰৰ

কোনো দৰকাৰ নাই। এই দামী গাড়ী টলা মাৰি "গেৰেজত" সোমাই থওক। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Pitising Konwar :—অধ্যক্ষ মহোদয়, আমাৰ সদস্য সকলে মন্ত্ৰীৰ সংখ্যা বেছি হৈছে বুলি আপত্তি কৰি আহিছে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে কৈছে যে Party ৰাখিবৰ কাৰণেহে এনে কৰিব লগা হৈছে। কিন্তু তাৰ পৰা ৰাইজৰতো একো লাভ হোৱা নাই। কাৰণ কিছুমান মন্ত্ৰী উপ-মন্ত্ৰীয়ে কয় যে তেওঁলোকৰ কামেই নাই। সেই কাৰণে File নাহেই। কাম নোহোৱাৰ কাৰণে তেওঁলোকে গাড়ী লৈ ঘূৰি ফুৰিছে। চৰকাৰে কিছুমান মন্ত্ৰীক অতিৰিক্ত ভাড়া দি ভাড়া ঘৰত ৰাখিছে। আমাৰ একোজন মন্ত্ৰীক ইমান ডাঙৰ ঘৰৰ কি দৰকাৰ? তেওঁলোকৰ নিজৰ ঘৰবোৰ ইমান ডাঙৰ আছিলনে? ইফালে আকৌ কেইজন মান মন্ত্ৰী মাহটোৰ ভিতৰত ৭ দিন মানহে সেই ঘৰত থাকে। ধৰক বিত্তমন্ত্ৰী ডাঙৰীয়া আজি দিল্লী কালিলৈ লক্ষ্ণৌ আৰু পিচদিনা পাটনা এইদৰে ঘূৰি ফুৰোতেই যায়। He is always the air. তেখেতক ইমান ডাঙৰ ঘৰটো কিয় লাগে। সিদিনা তেখেতৰ ঘৰত Moral Rearamment ত কেইজনমান সদস্যই থাকিব লগা হোৱাত তেওঁলোকে তেখেতৰ ঘৰটো জনশূন্যতাৰ ভাৱ প্ৰকাশ কৰিছে আনকি ঘৰটোৰ ভিতৰত দুৰ্গন্ধ ওলাইছে। মাননীয় সদস্যা শ্ৰীমতী সেনগুপ্তাই কেগৰাকীনান মানুহক Recive কৰিবৰ কাৰণে তালৈ গৈছিল। তেখেতসকলক খুৱাবৰ কাৰণে কাঁহি-বাতী বিচাৰি দেখে যে বাকচৰ টলা মৰা। সেইবোৰ উলিয়াই ধোৱা-পখলা কৰোতে গোন্ধাইছে। গতিকে তেখেত যি সাত দিন থাকে, সেই কেই দিন Pine Wood Hotel ত থাকিলেই হ'ল। আমাৰ ৰাজহ মন্ত্ৰীৰটো চিলঙত কামেই নাই। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি ফুৰোতেই যায়। আজি গুৱাহাটী, কালি লৈ নগাওঁ, যোৰহাট, ডিব্ৰুগড়, ধুবুৰী, উত্তৰ লক্ষীমপুৰ আদি ঠাই ভ্ৰমণ কৰোতেই যায়। আমাৰ মীন মহলৰ মন্ত্ৰীয়ে কয় মাছৰ অভাৱ কমিছে, তেওঁলোক দুয়ো বন্ধু দুয়োগৰাকীৰে একে নাম। এজন সোণাপুৰৰ এজন বকেনীৰ। দুয়ো গৰাকী মন্ত্ৰীয়ে কলংপাৰ ডাকবাংলাত থাকি ক্ষীবদা বিষয়াৰ মীন মহলৰ

পৰা মাছ আনি খানা খায় আৰু সেই ঠাইতে ছুনীয়াৰ কথা আলোচনা কৰি কামবোৰ কৰে আৰু এই কামৰ দ্বাৰা মায়ং অঞ্চলৰ ৰাইজৰ অশান্তি বাঢ়িছে। বহুতো লোকে কৰা বড়ো খেতিৰ পথাৰ মীন মহললৈ পৰিণত কৰি দুখীয়া কৃষক সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিছে। এনে ধৰণৰ খেলি মেলি বিলাক যাতে দূৰ কৰে তাৰ বাবে মন্ত্ৰীমহোদয়ৰ ওচৰত অনুৰোধ জনালো।

Shri Moneswar Boro—মাননীয় অধক্ষ্য মহোদয়, মই অলপ কও। ইয়াতে মুখ্যমন্ত্ৰী ৰাজ্যিক মন্ত্ৰী আৰু উপমন্ত্ৰীৰ সংখ্যা যিটো দেখুৱাইছে তাৰ পৰা পাও-১ মুখ্যমন্ত্ৰী ১১ জন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী ৬ জন ৰাজ্যিক মন্ত্ৰী আৰু ৩ জন উপমন্ত্ৰী সৰ্ব্বমুঠ ২১ জন দেখা যায়। তেখেতসকলে কেনেকুৱা ধৰণৰ কাম কৰিছে সেই বিষয়ে অলপ কওঁ। যোৱা বছৰ মই এজন B. D. O Transfer order এটা কৰি দিবলৈ আমাৰ মাননীয় ৰাজ্যিক মন্ত্ৰী Shri Debendra Nath Hazrika ক কৈছিলোঁ। আৰু তেখেতে B. D. O. জনৰ Transfer order কৰিলে। এই Transfer order গেজেটতো ওলাইছিল। পিছে Cabinet Minister Shri L. P. Goswami য়ে, সেইটো order Cancell কৰি দিলে।

Shri L. P. Goswami—আগতে কোৱা কথাটো নহয় জানো?

Shri Moneswar Boro—হয় চাৰ সেইটোকে কৈছো মই। চাৰ, Cabinet Minister ৰে state Minister ৰৰ order Cancell কৰি যদি দিব পাৰে তেনেহলে দেখোন ইমানবোৰ মন্ত্ৰী লোৱাৰ কি প্ৰয়োজন আছে। তেওঁলোকেইটো সকলো কাম কৰিব পাৰে। উপমন্ত্ৰী সকলৰটো কামেই নাই। Cabinet Minister ৰে state Minister ৰৰ order Cancell কৰি দিয়াত মন্ত্ৰী জনে অপমান বোধ কৰিছেনে নাই মই নাজানো কিন্তু মই হলে অপমান বোধ কৰিছো। vice—মন্ত্ৰী মহোদয়ে পাহৰি যায়। চাৰ উক্ত B. D. O. জনক ৰখাৰ ফলত Blocker ৰ পৰা ইতিমধ্যে ৬ হাজাৰ টকা চুৰি হৈ গ'ল। বদলি হৈ গলে, তেনেকুৱা চুৰি নহল হেতেন কিজানি।

চাৰ মন্ত্ৰীসকলে বহুবাৰ নানান ঠাইত ভ্ৰমণ কৰে আৰু বহুত ভ্ৰমণ

ভাট্টা লয় ৰাইজেও তেওঁলোকৰ হাতত বহুতো দৰখাস্ত Memorandum আদি দিয়ে। মন্ত্ৰীসকলেও ৰাইজৰ আগত নানান আশ্বাস দি আছে। কিন্তু কাম হলে একো নহয়। আনকি সেই দৰখাস্ত আৰু Memorandum বোৰৰ কোনো উত্তৰ নিদিয়ে। মন্ত্ৰীসকলৰ লগত কেবাজনো Officer আছে। তেওঁলোকক দৰখাস্ত আৰু Memorandum বোৰৰ উত্তৰ দিয়াৰ কামত কটাব পাৰি। চাৰ, আমাৰ তাত বাউলীত মাননীয় সহজ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীদেৱে কেবাবাৰো গৈ মিটিং কৰি আহিছে আৰু তাত খোৱা পানীৰ ব্যৱস্থা কৰি দিম বুলি ৰাইজক আশ্বাস দি আহি আছে। কিন্তু আজিও হলে একো ব্যৱস্থা কৰি নিদিলে। গতিকে মন্ত্ৰী সকলে ভ্ৰমণ কৰি ভ্ৰমণ ভাট্টা লোৱাৰ কোনো প্ৰয়োজন নাই আৰু ৰাইজৰ কোনো উপকাৰ হোৱা নাই। চাৰ আমাৰ মাননীয় Education Minister Hagzer ৰে গান্ধীবাড়ী এম্-ই স্কুলত ৰাজহুৱা মিটিঙত গান্ধীবাড়ী মাইনৰ স্কুলত টকা দিম বুলি কৈ আহিছিল কিন্তু আজিও সেই স্কুলত এক পইচাও দিয়া নাই। তেখেতে তাত গৈ যিখিনি ভ্ৰমণ ভাট্টা ললে তাৰ ½ অংশ টকা স্কুলত দিলেও কোৱাৰ এটা ৰাস্তা থাকিল হেতেন। অকল Chief Minister ৰ তলতেই P. P.S. এই য়ে Private Secretary আৰু কেইজন মান Under Secretery আছে মুঠ প্ৰায় ২৫ জন মান আছে। ইমান মানুহ ( Officer ) ৰখাৰ কি প্ৰয়োজন। ৰাইজৰ মানুহে খাবলৈ নাপায় আৰু তেওঁলোকক মোটা মোটা দৰমহা দি ৰাখিছে।

চাৰ মটৰ কিনাৰ বাবে ১ লাখ টকা ধৰিছে। ইফালে ৰাইজৰ ৰাস্তা-ঘাট, স্কুল আদি নাই খোৱা লোৱাৰ সংস্থান নাই তেনে স্থলত গাড়ী কিনোতে ১ লাখ টকা খৰচ কৰি গাড়ী কিনিব লগা হ'ল কিয়? এইবোৰ কথাকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনালোঁ।

Shri Kabir Ray Pradhani :

মাননীয় অধ্যক্ষ মহোদয় মই এই cut-motion ৰ বিষয়ে কব খুজিছো, এই যে ৰাজ্যপালৰ পদটো ৰখাত কেবালাখো টকা খৰচ কৰিব লগীয়া হৈছে, আৰু এই মানুহজনৰ পৰা কি উপকাৰ হৈছে আমি একো অনুভৱ কৰিব পৰা নাই। আমাৰ পশ্চিম বঙ্গ বিধান সভাত কেবাটাও

নতুন নতুন Record কৰিছে আমাৰ অসমতো যেন এই প্ৰস্তাৱটো লৈ এই পদটোৰ abolish কৰি এটা নতুন Record স্থাপন কৰে গতিকে মই এনেধৰণৰ এটা প্ৰস্তাৱ লবলৈ অনুৰোধ কৰিলো।

হয়তো মন্ত্ৰীসভাখন Title Holder ৰ নিচিনা বুলি কেৱাজনো সদস্যাই কৈ গৈছে মন্ত্ৰীৰ কথাৰ কোনো মুল্য নাই। কাম কৰিব বুলি কৈ আহিছে কিন্তু কাম হলে একো নহয়। Secretary আৰু District Head সকলে বাদশাহ আমলৰ দিল্লীৰ চুবেদাৰ সকলৰ দৰে কাকো ভয় নকৰা কৰি চলে। গতিকে এই সকল জিলাভিত্তিক চুবেদাৰৰ ওপৰত জিলাৰ সকলো প্ৰকাৰ ভাল যেয়া নিৰ্ভৰ কৰে আৰু ৰাইজৰ সুখ দুখ নিৰ্ভৰ কৰে।

ভ্ৰমণৰ বেলিকা কৈ অহা কথা নাইবা আশ্বাস বিলাকৰ কোনো দাম নাইকীয়া হৈযায়।

ইয়াৰ প্ৰমাণ হয় অফিচাৰ সকলে মন্ত্ৰী সকলৰ কথাক কোনো ভ্ৰুক্ষেপ নকৰে গতিকে I. A. S. Officer সকল ইমান powerfull যে কেৱল মুখ্যমন্ত্ৰীদেউৰ কথাহে শুনে বাকীমন্ত্ৰীৰ কথা মুঠে গ্ৰাহ্য নকৰে। গতিকে ইমান ডাঙৰ মন্ত্ৰীসভাৰ প্ৰয়োজন কিহৰ বাবে? মন্ত্ৰীসভাৰ সদস্য কমাই ৰাইজৰ টকা বঁচাওক।

আজি কংগ্ৰেছৰ পাৰ্টি ৰক্ষা কৰাৰ কাৰণে আৰু পাৰ্টিৰ মানুহক সন্তুষ্ট কৰিবৰ কাৰণে বেচিকৈ মন্ত্ৰী কৰাৰ কোনো কাৰণ নাই। পাৰ্টিতকৈ দেশখন ডাঙৰ ৰাইজ বহুত ওপৰত। গতিকে দেশখনক সুখসমৃদ্ধি কৰিবৰ কাৰণে অলপ চেষ্টা কৰক।

হিন্দু শাস্ত্ৰত আছে সমুদ্ৰ মন্থন কৰিবলৈ দেৱতা অসুৰ সকলে লগলাগিল, সমুদ্ৰ মন্থন হ'ল ভাল বস্তু খিনি দেৱতাই ললে অসুৰে একো নাপালে। এই ভালবস্তু অমৃত খাই দেৱতা সকলৰ হ'ল অমৰত্ব প্ৰাপ্তি যাৰ ফলত হল উচ্ছৃঙখল। আন পিনে বঞ্চিত অসুৰ সকলে মহাদেৱৰ

আৰধনা কৰি অমৰত্ব বৰ আদায় কৰিলে দেবতাৰ লগত যুদ্ধ হল। দেবতা-সকলৰ অবস্থা চূড়ান্ত ভাবে পৰ্য্যুদস্ত হল। সেই ইয়াতে দেখিছো মন্ত্রী সকল হল দেবতা আৰু সৰ্ব্বসাধাৰণ ৰাইজ হ'ল অসুৰ। দেশৰ স্বাধীনতা যুদ্ধত সবে খাটিলো বুধিয়কসকলে সকলো উপভোগ কৰি আছে আৰু ৰাইজ সৰ্ব্বপ্ৰকাৰে বঞ্চিত। শাস্ত্ৰৰ অসুৰ বিলাকৰ দৰে আমিও সকলো ৰাইজক ঠগি ঠগি আছো। সেইবাবে আমি মহাদেৱৰ দৰে শক্তিমান দেবতাৰ আৰাধনা কৰি শক্তি অৰ্জ্জন কৰিব লাগিব।

সেই কাৰণে আমাৰ সন্মুখত থকা দেৱতা সকলো উশৃঙ্খল হব নালাগে। কাৰণ এইটো তেওঁলোকৰ পক্ষে বৰ বেয়া। মই কওঁ তেওঁলোকে আত্ম নিয়ন্ত্ৰণৰ পদ্ধতি লওক। ৰাষ্টীয় ধনৰ পাটি আপোনালোক কট কটীয়া হওক। আৰু আপোনালোকৰ আহাৰো নিয়ন্ত্ৰীত কৰক। লোভ আৰু ভয়ৰ কাম বিলাক সম্বৰন কৰক। সেই দৰে অত্মনিয়ন্ত্ৰণ নকৰিলে আপো-লোকে জানিব ৰাইজে মহাদেবৰ আৰধনা কৰি আহিছে আৰু তাৰ ফলতে আপোনালোকে অশুৰ পৰ্য্যায়ত উপনিত হবগৈ।

(সময়ৰ সঙ্কেত)

Shri Maherdra Mohan Choudhury:—মাননীয় অধ্যক্ষ মহোদয়, যদিও এই দাবীৰ প্ৰস্তাবটো দীঘলীয়াকৈ আলোচনা কৰা হৈছে আৰু ১১ জন সদস্যয় এই দাবীৰ প্ৰস্তাবত অংশগ্ৰহণ কৰিছে কিন্তু তাৰ উত্তৰ দিয়াত বেচি সময় নালাগে কাৰণ প্ৰায় বিলাক কথাই প্ৰতিজন সদস্যই দুহাৰি কৈছে। সেই কাৰণে মই দীঘলীয়াকৈ কৈ সদনত সময় নলও। এই আলোচনাৰ সন্দৰ্ভত মহাত্মাগান্ধীৰ নাম কেইবাগৰাকী সদস্যই উল্লেখ কৰিছে। সেই কথাত মই কব খুজিছো যে আমি যিমান দূৰ পাৰো এনেকুৱা ক্ষেত্ৰত মহাত্মাগান্ধীৰ নাম আনিব নালাগে আৰু ইয়াৰ বাবে মই মাননীয় সদস্য সকলক নিবেদন কৰিছো যে মহাত্মাগান্ধীৰ নাম যিমানদূৰ পৰা যায় কম কৰি আনিব।

প্ৰথমে কোৱা হৈছে ৰাজ্যপালৰ কথা। তেখেতৰ ঘৰ বাৰী সংৰক্ষন,

তেখেতৰ ব্যক্তিগত Stuff আৰু সা-সুবিধাৰ বিষয়ে আলোচনা চলাইছে। কোনো কোনো সদস্যই কৈছে যে ৰাজ্যপালৰ অলাগতিয়াল বুলি আৰু সোনকালে ৰাজ্যপাল পদটো গুচাই দিব লাগে। আমাৰ ৰাজ্যিক চৰকাৰে ৰাজ্যপালৰ পদটো থকা নথকা আমাৰ ৰাজ্যিক চৰকাৰৰ ইচ্ছাৰ ওপৰত নির্ভৰ নকৰে এইটো সংবিধানৰ সৃষ্টি। আমাৰ সংবিধান অনুসৰি ৰাজ্যপালক কিছুমান ক্ষমতা দিয়া হৈছে আৰু তেখেতে সংবিধান মতে কার্য্য বিলাক পৰিচালনা কৰিব লাগে। আৰু তেখেতক কি কি সা-সুবিধা দিব লাগে সেইটো কেন্দ্রীয় চৰকাৰৰ নির্দ্দেশ মতে নিয়ন্ত্রীত হৈছে। আমাৰ বাজেটত ৰাজ্যপালৰ কাৰণে ব্যয়ৰ হিচাব যদিও সদনত ভাঙি ধৰি গৃহিত হব লাগে তাৰ বাহিৰে এই বিষয়ে চৰকাৰৰ কৰিব লগীয়া একো নাই। কাৰণ লোক সভা আৰু ৰাজ্য সভাৰ মতে নির্দ্দেশমতে তেখেতৰ দৰমহা আৰু আন আন সা-সুবিধা নিয়ন্ত্রীত হৈছে। ইয়াত এটা কথা উঠিব পাৰে যে ৰাজ্যপালৰ পৰিভ্রমণৰ কাৰণে বানচ দিয়া উচিত হয়নে নহয়। যি গৰাকী বিষয়াই ৰাজ্যৰ শাসনৰ সম্পূর্ণ দায়িত্ব বহন কৰে সেইজন বিষয়াই আমাৰ ৰাজ্যখনৰ কত কি হৈছে জানিব লাগে আৰু সেই কাৰণেই পৰিভ্রমণ কৰিব লাগে সেইটো যুক্তি সংগত আৰু আইন সংঙ্গত বুলি আমি স্বীকাৰ কৰিব লাগিব। আমাৰ দেশত নানা সম্প্রদায়ৰ মানুহ আছে আৰু তেখেত সকলৰ নানান অনুষ্ঠান আছে এই বিলাকৰ লগত ৰাজ্যপালে সহযোগ ৰাখিব লাগে আৰু নিমন্ত্রীত হৈ তালৈ যাবলগীয়া হয়। আৰু ভ্রমণৰ কাৰণে বানচ দিব লাগে। গতিকে সেইটো পদ অযুক্তিকৰ হৈছে বুলি আমি বিবেচনা নকৰো।

Shri Dulal Chandra Borua :—ইয়াৰ দ্বাৰা আমাৰ কিবা লাভ হৈছে নেকি— ?

Shri Mahendra Mohan Chaudury :—যদি সদস্য সকলে ভাবে সেইটো উঠাই দিব লাগে তেনেহলে তেখেত সকলে সংবিধান সংশোধন কৰিবৰ কাৰণে চেষ্টা কৰক।

দ্বিতীয়তে আমাৰ মন্ত্রী সভাৰ সংখ্যা সম্পর্কে আলোচনা হৈছে। এই

আলোচনা আজিৰ নতুন নহয়। সুবিধা পালেই সদস্য সকলে মন্ত্রীসভাৰ সংখ্যা সম্পৰ্কে আলোচনা কৰি আহিছে। এই সম্পৰ্কত আমাৰ মুখ্যমন্ত্রীয়ে জবাব দি আহিছে। এখন চৰকাৰ গঠন কৰিবলৈ হলে দলৰ কিছুমান Talented মানুহলৈ মন্ত্রী সভা পতা হয় আৰু মন্ত্রীসভাত সকলোকে লোৱা সম্ভব নহয়। আমাৰ অসমত বহুত সম্প্রদায়ৰ মানুহ আছে বিভিন্ন ধৰণৰ মানুহ আছে তেখেত সকলৰ সামাজিক ৰীতি-নীতি বেলেগ। আৰু তেখেত সকলৰ বিভিন্ন স্বার্থ আছে আৰু এই বিলাক মানুহ যাতে সাশনৰ অংশীদাৰ কৰি তুলিব পাৰি এই কথা বিচাৰ কৰি সংখ্যা গৰিষ্ঠ দলৰ দলপতি জনে মন্ত্রী সভা গঠন কৰিব। তেনেকুৱা কৰাৰ কাৰণে মন্ত্রী সভাৰ সংখ্যা বৃদ্ধি হোৱাটো স্বাভাবিক। ভাৰতৰ বিৰুধী দলে ভাৰতৰ বিভিন্ন ৰাজ্যত কংগ্রেছ আৰু বিৰুধী দলে মন্ত্রী সভা গঠন কৰিছে আমি দুয়োটা ক্ষেত্রতে দেখিছো যে যি বিলাক ঠাইত অকংগ্রেছী মন্ত্রী সভা গঠন কৰা হৈছে আৰু যিবিলাক ৰাজ্যত কংগ্রেছী সকলে মন্ত্রী সভা গঠন কৰিছে তেখেত সকলৰ সভ্য সংখ্যা ক্রমে ক্রমে বৃদ্ধি পাইছে। এইটো কথা যে পশ্চিম বঙ্গৰ মন্ত্রী সভা কি কাৰণে বৃদ্ধি হৈছে ইয়াৰ কাৰন হল যে তাত কেইবাটাও দল লগ-লাগি মন্ত্রী সভা গঠন কৰিছে আৰু তাত সকলো পার্টিৰ সদস্য থাকিব লাগে বুলি মন্ত্রীসভাৰ সংখ্যা বৃদ্ধি পাইছে। আমাৰ অসমতো বহুত সম্প্রদায়ৰ আৰু সমষ্টিৰ মানুহ আছে। বেলেগ বেলেগ সম্প্রদায়ৰ প্রকৃত স্বার্থ ৰক্ষাৰ বাবে আৰু যাতে তেখেত সকলে চৰকাৰৰ শাসনৰ অংশীদাৰ হিচাবে অনুভব কৰিব পাৰে সেই মতে মন্ত্রী সভাৰ সংখ্যা বৃদ্ধি হৈছে। গতিকে মই মন্ত্রী সভাৰ সংখ্যা সম্পৰ্কে আৰু বেচি কব নুখুজো।

Shri Kabir Chandra Ray Pradhany সম্প্রদায়ৰ ভিত্তিত মন্ত্রী সভা গঠন কৰা হৈছে নে কি?

Shri Dulal Chandra Borua :—মন্ত্রী মহোদয়ে কৈছে যে সকলো বিলাক মন্ত্রীয়ে যাতেশাসন যন্ত্রৰ ক্ষেত্রত অংশ গ্রহণ কৰিব পাৰে তাৰ কাৰণে এই দাৱীটো যুক্তি দেখুৱাব খুজিছে। সেই কাৰনে Representative type ৰ

মন্ত্ৰী ভাগ হৈছে তাত কোনো আপত্তি নাই। কিন্তু গোতবিলাক কৰিবলৈ গৈ বেচি গোত কৰাৰ কাৰনেহে আপত্তি আছে। যি যি লোকে গোতৰ প্ৰতিনিধিত্ব কৰিব কিন্তু সেইটো কাঠৰ মূৰাই বা পুতলাৰ দ্বাৰা কৰা হব সেইটো সমৰ্থম কৰিব নোৱাৰি। কিন্তু আজি যি গোতৰ ওপৰত গুৰুত্ব দিছে সেই গোটৰ দ্বাৰা মন্ত্ৰী সভা গঠিত হোৱা নাই।

Shri Mahendra Mohan Chaudhury :—বৰুৱা ডাঙৰীয়াই মানুহ বাচি লোৱা ক্ষেত্ৰত কিমান থিক হৈছে বুলি যি সন্দেহ প্ৰকাশ কৰিছে সেই বিষয়ে মই কব নোখোজো কাৰণ আমাৰ যি এটা সাংবিধানিক নীতি আছে সেই নীতি অনুযায়ী সংখ্যা গৰিষ্ঠ দলপতিয়ে মন্ত্ৰী বাচি লবলৈ ক্ষমতা আছে। কিন্তু কি ভিত্তিত লোক বাচি লোৱা হয় সেইটো কব নোৱাৰাত দুখ পাইছো।

Shri Dulal Chandra Borua :—আপুনি এই বিষয়ে উত্তৰ দিব নোৱাৰাটো দুখৰ কথা। আপুনি যেতিয়া উপদলপতি হৈ উত্তৰ দিছে তেনেহলে এই বিষয়ত উত্তৰ দিবলৈকো দাবী জনাইছো।

Shri Mahendra Mohan Chaudhury :—মাননীয় সদস্যাই জানে যে যি জন দলপতি হয় তেওঁ ব্যক্তিগত বিচাৰ্যাৰে লোক বাচি লয়। এই বিষয়ে প্ৰশ্ন কৰা অধিকাৰ নাই। এইটো Prerogative বুলি কোৱা হয়।

Shri Giasuddin Ahmed :—ৰাজ্যৰ স্বাৰ্থ ব্যহত কৰি মূখ্য মন্ত্ৰীয়ে নিশ্চয় মন্ত্ৰী বাচি লব নোৱাৰে।

Shri Mahendra Mohan Chaudhary :—মই মূখ্য মন্ত্ৰীৰ ইচ্ছাৰ কথাৰ উত্তৰ দিব নোৱাৰা কাৰণে মোক ক্ষমা কৰিব।

ইয়াৰ পৰাই মন্ত্ৰী সকলৰ ভ্ৰমণৰ কথা যি কোৱা হৈছে। মন্ত্ৰী সকলৰ ভ্ৰমণৰ ক্ষেত্ৰ মোৰ নিজৰ ২৩ বছৰৰ অভিজ্ঞতাৰ পৰা কৈছো যে মন্ত্ৰী

সকলৰ দৰ্মহা, বানচ ইত্যাদিৰ কথা উঠিলে এনেকুৱা প্ৰশ্ন উঠেই। কিন্তু ভট্টাচাৰ্য্য ডাঙৰীয়াই যে কৈছে যে যি বিলাকৰ বিষয়ে আলোচনা ইয়াত কৰা হয় সেইবিলাক চৰকাৰে কোনো বিবেচনা নকৰে। আৰু চৰকাৰে তাক কাৰ্য্যকৰি কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰে। কিন্তু সেই কথাত মই একমত হব নোৱাৰো। মন্ত্ৰী সকলৰ ভ্ৰমণ বানচৰ ক্ষেত্ৰত যিটো আলোচনা কৰা হৈছে তাৰ প্ৰথম কাৰণ হল আমাৰ মন্ত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। আৰু দ্বীতিয় কথা হৈছে আমাৰ সদস্য সকলে মন্ত্ৰী সকলক চৰকাৰৰ কাৰ্য্য পদ্ধতিত দায়িত্বশীল কৰিব খোজে। আজি চৰকাৰে যিবিলাক কাম কৰিবলৈ হাতত লৈছে তাৰ কাৰণে সদনে মন্ত্ৰী সকলকে দায়ী কৰে গতিকে আমাৰ ৰাজ্যত যিবিলাক Project লোৱা হৈছে সেই বিষয়ে ব্যক্তিগত জ্ঞান ৰাখিবৰ কাৰণে মন্ত্ৰী সকলে ভ্ৰমণ কৰিব লগীয়া হয়। আজি মই বান নিয়ন্ত্ৰনৰ মন্ত্ৰী। বাননিয়ন্ত্ৰনৰ কাম কেনেকুৱা হৈছে সেই বিষয়ে প্ৰশ্নৰ উত্তৰ মই সদনত দিব লাগিব। তাৰ উত্তৰ দিবলৈ হলে সেই বিভাগটোৰ সকলো কাৰ্য্য কলাপৰ বিষয়ে জ্ঞান থকা উচিত এনেকৈয়ে আমাৰ যিবিলাক Project ৰাজ্যত গঢ়ি উঠিছে তাৰ লগত সমন্ধ ৰাখিবলৈ মন্ত্ৰী সকলে ভ্ৰমণ কৰিব লগিয়া হয়। গতিকে মন্ত্ৰীৰ ভ্ৰমণ যুক্তি সংগত বুলি ভাবো। দ্বিতীয়তে মন্ত্ৰীসকলক সদস্য সকলে আমন্ত্ৰণ জনাই তাৰ কাৰনেও ভ্ৰমণ কৰিব লগিয়া হয়। মূখ্য মন্ত্ৰীয়ে কেইবা বাৰো কৈছে যে মন্ত্ৰী সকলৰ ভ্ৰমণ Rationalise হব লাগে। আৰু মন্ত্ৰী সকলে তাক পালন কৰিবলৈ চেষ্টা কৰিছে যদিও ভ্ৰমন সংখ্যা কমাব পৰা নাই। মন্ত্ৰী সকলৰ Hospitality Charge হিচাবে দিয়া হৈছে মাত্ৰ ৫০০ টকা কিন্তু আলহিক খুৱাবলগা হয় তাৰ বাবে এই টকা মুঠেই হাত দিব নোৱাৰো কেতিয়াবা কেন্দ্ৰিয় চৰকাৰৰ পৰা বা আন কোনো বিদেশী V. I. P. আহিলে তাৰ কাৰণে এই টকা খৰচ কৰিব লগীয়া হয়। এই টকা খৰছ কৰাত কোনো লোকচান নাই কাৰণ ইয়াৰ পৰা Good will লাভ কৰিব পৰা যায়। গতিকে এই ৫০০ টকাৰ কাৰণে কোনো অভিযোগ কৰাৰ কাৰণ নাই যেন লাগে। ভট্টাচাৰ্য্য ডাঙৰীয়াই valuenterry cut ৰ বিষয়ে যি কৈছে সেইটো কৰিব নোৱাৰাৰ কাৰন হৈছে আজি

আমাৰ বৰ্ত্তমান খৰছত যিটো হাৰ হৈছে সেই মতে মন্ত্ৰী সকলৰ দৰ্মহা বেছি হৈছে বুলি কব নোৱাৰি। মন্ত্ৰী সকলে মাত্ৰ ১০০০ টকাহে দৰ্মহা পায়।

আমাৰ মন্ত্ৰীসকলে এক হাজাৰ টকা দৰমহা পায়। তাৰ ভিতৰত আয়কৰ দিব লাগে। Party subscription Tax দিব লাগে। ইয়াৰ উপৰিও গাওঁৰ পৰা চাঁদা আদি বিচাৰি অহা মানুহ বিলাককো সন্তুষ্ট কৰিব লগীয়া হয়। সেই ফালৰ পৰা চালে মন্ত্ৰীসকলৰ দৰমহা বেছি হৈছে বুলি কব নোৱাৰি। সেই কাৰণে মাননীয় সদস্যই যিটো Volentury cut ৰ কথা কৈছে সেইটো মন্ত্ৰীসকলে দিব পৰা নাই, কিন্তু যেতিয়া জুৰুৰী অৱস্থা আহে যেনে চীনা আক্ৰমন, পাকিস্থানী আক্ৰমণ আদি সময়ত মন্ত্ৰীসকলে প্ৰতিৰক্ষা পূজিলৈও শতকৰা ১০ ভাগ টকা ভলেণ্টাৰী কাট দিছিল। কিন্তু বৰ্ত্তমানে তেনে পৰিস্থিতি নোহোৱাৰ কাৰণে কাট দিয়া নাই।

চাৰ, আমাৰ মন্ত্ৰী সকলৰ ভ্ৰমণত যে সকলো ক্ষেত্ৰতেই উপযুক্ত টকা খৰচ হয় সেইটো মযো নাভাবো। কিন্তু টকা বেছি হোৱা ঠাইত কমাবলৈ চেষ্টা কৰা হৈছে। বিশেষকৈ আমাৰ ভ্ৰমণ গাওঁ অঞ্চলতেই বেছি হয়। কাৰণ চহৰতকৈ গাওঁতেই বেছি মানুহ আৰু মন্ত্ৰীসকলে গাওঁলৈ গলেহে সেই মানুহবিলাকৰ লগত সংযোগ স্থাপন কৰাত সহজ হয়। আকৌ গাওঁলৈ যাওঁতে বহুত মানুহৰ সংস্পৰ্শত অহা হয় যিবিলাক মানুহে সাধাৰনতে মন্ত্ৰীসকলৰ ওচৰলৈ আহিব নোৱাৰে। এই মানুহ বিলাকৰ লগতেই মন্ত্ৰীসকলৰ গ্ৰাম্য-ভ্ৰমণত তেওঁলোকৰ অৱস্থা বুজি লোৱাত সহজ হয়। গাওঁৰ যিবিলাক মুখীয়াল মানুহ যিবিলাক Percent Holder, ঠিকাদাৰ আৰু যি বিলাক সমূহীয়া কামত লিপ্ত চৰকাৰী অফিচাৰে সেই সকলৰ লগত দূনীতি দূৰীকৰণৰ বাবে আৰু সেই অঞ্চলৰ উন্নতিৰ হকে বিভিন্ন আলোচনা কৰাত সুবিধা হয়।

তাৰ পিছত মন্ত্ৰীসকলৰ গাড়ীৰ কথা লৈ যি কথা উত্থাপন কৰিছে সেই সম্পৰ্কত মোৰ মনত পৰে সদনত কেইবাবাৰো কৈফিয়ৎ দিয়া হৈছে। আজি মন্ত্ৰীসকলৰ এনে অৱস্থা হৈছে যে তেওঁলোকক ১ লাখ টকাৰ গাড়ী দিলেও তেওঁলোকে চলাব নোৱাৰে। কাৰণ সেই গাড়ীৰ কাৰণে Petrol ৰ

খৰচ বেছি। আকৌ petrol ৰ দাম আৰু ১.১০ টকাৰ ঠাইত ১.১৭ টকালৈ বাঢ়িছে আৰু এই গাড়ী বিলাকৰ Mileage খুব কম। সেই কাৰণে সেই গাড়ী বিলাক চলোৱা সম্ভৱ নহয় যদি এই ধৰণৰ গাড়ীবিলাক চলাবলৈ দিয়া হয় তেনেহলে তেখেতসকলৰ T. A. ৰ বাবদ দিয়া টকাখিনি খৰচ কৰাৰ উপৰিও ঘৰৰ পৰাও খৰছ কৰিব লগীয়া হয়। সেই কাৰণে মই কওঁ মন্ত্ৰীসকলৰ স্বাৰ্থৰ কাৰনেও এই ডাঙৰ গাড়ী বিলাক চলাব নেলাগে। আৰু ডাঙৰ ডাঙৰ গাড়ী মন্ত্ৰীসকলৰ কাৰণে ননাটো উচিত। অৱশ্যে যি দুখন ডাঙৰ গাড়ী কিনিছে তাৰে এখন মুখ্যমন্ত্ৰীৰ পুৰনি গাড়ীখন ৰদলাব লগীয়া হোৱাত তেওঁৰ কাৰণে আৰু আন খন V. I. P. সকলৰ ব্যৱহাৰৰ কাৰণে অনা হৈছে। গতিকে মন্ত্ৰীসকলৰ কাৰনে ১ লাখ টকীয়া গাড়ী দিয়াৰ প্ৰশ্ন নুঠে। আৰু মন্ত্ৰী সকলৰ যি বিলাক সৰু গাড়ী আছে তাতেই সন্তুষ্ট আছে বুলি মই কওঁ।

চৰকাৰৰ প্ৰশাসনীক বিষয়ত যি অৱনতি ঘটিছে সেই সম্পৰ্কত শ্ৰীদুলাল চন্দ্ৰ-বৰুৱাই বিশেষ ভাৱে আলোচনা কৰিছে। এই প্ৰসঙ্গত মই কব খুজিছো যে আজি আমি যদি আমাৰ মন্ত্ৰীসকলক বা আন চৰকাৰী কৰ্মচাৰী সকলক হকে বিহকৈ গালি পাৰি কবলগীয়া কথা কোৱাত কটু ভাষাৰে ভদ্ৰোচিত কথাৰ দ্বাৰাই তেখেতসকলৰ চৰকাৰী কামৰ প্ৰতি নিচা কমোৱাতহে হয়। এই সদনত সকলো সদস্যই সকলো ৰকমৰ কথা কোৱাত অধিকাৰ আছে। সেই অধিকাৰ প্ৰয়োগ কৰি যেনেকৈ তেনেকৈ মন্ত্ৰীসকলৰ প্ৰতি কটু ভাষা ব্যৱহাৰ কৰাতো উচিত নহয় বুলি মই ভাবো। এই কথা বিলাকৰ দ্বাৰা আমাৰ প্ৰশাসনীক ক্ষেত্ৰত মৰ্য্যদা হানি হৈছে। বিশেষকৈ মন্ত্ৰী সকলৰ কথা কওঁতে অলপ সাবধানেৰে কোৱা উচিত যাতে সেই অভিব্যক্তিৰ দ্বাৰা শাসনৰ মৰ্য্যদা ৰখা হয়।

Shri Dulal Chandra Barua :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা এই কথাটো জানিব বিচাৰিছো যে আমাৰ ফালৰ পৰা যি কথা মন্ত্ৰী সকলৰ বিষয়ে বা তেওঁলোকৰ দুৰ্ব্বলতা সম্পৰ্কত কোৱা হৈছে সেই বিলাক সংযত ভাষাত কোৱা নাই বুলি কব খুজিছে নেকি?

Shir Mahendra Mohan Choudhury :—মই মন্ত্ৰীসকলক সমালোচনা কৰাৰ কথা কোৱা নাই। মই কব খুজিছো যে সমালোচনা কৰোতে ভাষা অলপ সংযত হব লাগে। মন্ত্ৰীসকলক চোৰ বুলি নকৈ অন্য ভাষাৰ মাধ্যমেৰেও সেই কথা প্ৰকাশ কৰিব পাৰে। গালি পাৰিলেও সেইটো অন্য প্ৰকাৰে প্ৰকাশ কৰিব পাৰে।

অফিচাৰ সকলৰ কথা ইয়াত নাই গতিকে সেই ক্ষেত্ৰত উত্তৰ দিয়াটো "ৰিলেভেণ্ট' নহয়। কিন্তু এই খিনিতে মই এই কথা কব খুজিছো যে তেখেতসকলৰ ক্ষেত্ৰত যিহেতু অভিযোগ বিলাক তেখেতসকলে খণ্ডন কৰিবহি নোৱাৰে সেই কাৰণে তেওঁলোকৰ প্ৰতি অনা অভিযোগ বিলাক সভাৰ ভোটত প্ৰতিস্থিত হব লাগিব বা "চাবষ্টেন্‌চিয়েট" কৰিব পৰা হব লাগিব। নহলে এইদৰে হকে-বিহকে তিৰস্কাৰ কৰিলে তেওঁলোকৰ মনলৈ হতাশাৰ ভাৱ আহিব পাৰে আৰু তাৰ দ্বাৰাই প্ৰশাসনীক কাৰ্য্যত বাধাৰ সৃষ্টি হব পাৰে।

আমাৰ মন্ত্ৰীসকলৰ ঘৰ বাৰী সম্পৰ্কে কওঁ আৰু এই সম্পৰ্কত শ্ৰীলক্ষী প্ৰসাদ গোস্বামীয়ে অলপ আগতে অলপ মান কথা কৈছে। চাৰ, আমাৰ এই মন্ত্ৰীসকলৰ সা-সুবিধা বিলাক নিৰ্ভৰ কৰে এখন আইনৰ ওপৰত। যি খন আইন আমাৰ এই সদনত মাননীয় সদস্যসকলে আগতেই পাচ কৰি আহিছে। সেই আইন অনুসৰি আচ বাব পত্ৰ আৰু সা-সুবিধা আদি পায়।

( A voice—সেইখন বহুদিনীয়া পূৰনি আইন সংশোধনৰ সময় পাৰ হৈ গৈছে। )

সেই আইন খন নতুন আইনলৈ পৰিবৰ্ত্তিত নকৰালৈকে সেই আইনেই বাহাল থাকিব

Shri Dulal Chandra Barua :—এই আইন খন কিয় সংশোধন হোৱা নাই।

Shri Mahendra Mohan Choudhury :—সাধাৰন নিয়মমতে কোনো আইনৰ সংশোধনৰ প্ৰয়োজন বোধ কৰিলে যিকোনো সদস্যই সংশোধনত অংশ গ্ৰহণ কৰিব পাৰে। আমাৰ বন্ধু শ্ৰীগোবিন্দ কলিতাই যেনেকৈ গুৱাহাটীৰ Municipality ৰ আইনখন সংশোধনত অংশ গ্ৰহন কৰিছিল। কেৱল চৰকাৰক দোষাৰোপ কৰি বহি থাকিলেই আইন সংশোধন নহয়। যদি কোনো আইন সংশোধন কৰিবলগা হয় তাত যি কোনো সদস্যই অংশ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিব লাগে।

অন্য এটা কথা মাননীয় সদস্য সকলে উল্লেখ কৰিছে যে, মন্ত্ৰীসকলক যি আচবাব পত্ৰ দিয়া হৈছে। এই আইনখন প্ৰনয়নৰ আগতে হোৱা যিবিলাক পুৰনি ঘৰ আছিল সেইবিলাকত আমাৰ বৰ্ত্তমানে একোটা নিৰিখ ধাৰ্য্য কৰি দিয়া হৈছে। একোটা ঘৰত ৭,৫০০ টকাতে সম্পূৰ্ণ পৰ্দ্দা আৰু Furniture আছিল। যিহেতু Furniture বিলাক নানা ভাৱে ব্যৱহৃত হৈছিল।

আৰু কিমান বা কেনেকুৱা Rule ত এইবিলাক ব্যৱহৃত কৰা হৈছে। সেই আইনখন কাৰ্য্যকৰী কৰাৰ ফলত আগতে যি আচবাব পত্ৰ আছিল, সেইবিলাক আনিব নালাগে, বা বদলাব নালাগে বুলি ৭,৫০০ টকাটো Limit কৰি দিলো। গতিকে এই ক্ষেত্ৰত মন্ত্ৰীসকলৰ ফালৰ পৰা সেই কথাটো মানি লব নোৱাৰো।

তাৰ বাহিৰেও আমাৰ মন্ত্ৰী সকলে ভাৰা ঘৰত থকাৰ বিষয়ে উল্লেখ কৰিছে সেইটো কথা সঁচা। চৰকাৰী বাসভৱন নোহোৱাৰ কাৰণে আমাৰ বহুতো সদস্যই Pine-wood Hotel ত থাকিব লগা হৈছে। আৰু তেওঁলোকে ৮০ ভাগ subsidy দিব লগা হৈছে। আমাৰ মন্ত্ৰী সংখ্যা বঢ়াৰ লগে লগে মন্ত্ৰীৰো ঘৰৰ নাটনি ঘটিছে চৰকাৰী বাসভৱনৰ অভাৱত।

Shri Dulal Chandra Borua :—মন্ত্ৰীমহোদয়ে, সদস্যৰ কথা উল্লেখ কৰি কৈছে যে, "পাইনউদ" হোটেলত থাকিব লগা হৈছে। আমি মন্ত্ৰীৰ লগত তুলনা কৰা নাই, কিন্তু, আমি আমাৰ বাম বন কৰিবলৈ যিবোৰ

সুবিধা পোৱাৰ দৰকাৰ সেইখিনি পোৱাৰ পৰা বিৰত কৰিছে। মন্ত্রীসকলে তাত একো দিনকৈ থাকি চাবনে?

Shri Atul Chandra Goswami :—শ্রীমনেশ্বৰ বড়ো যিটো কোঠাত আছে তাত মন্ত্রীমহোদয় এৰাতিও থাকিব নোৱাৰে।

Shri Kamini Mohan Sarmah :— উপাধ্যক্ষ মহোদয় সদস্যসকলৰ লগতে Assembly-Hostel ত মন্ত্রীসকলক ৰখাৰ যথা-যথ ব্যৱস্থা কৰিব লাগে।

Shri Mohendra Mohan Choudhury :—শৰ্ম্মা ডাঙৰীয়াই ঠিক কথাই কৈছে। যেনেকৈ M. L. A. সকলে থকাত অসুবিধা পাইছে, হোষ্টেলত, সেইটো দূৰ কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। আৰু মন্ত্রী-সকলেও যেনেকৈ ভাৰাতিয়া ঘৰত থাকি অসুবিধা পাইছে, তাৰ কাৰণে অতিৰিক্ত সম্প্রসাৰন হব লাগে আৰু তাৰ বাবে চৰকাৰে অতিৰিক্ত বাসভৱন হব লাগে এতিয়া আমাৰ বাজেটৰ যিটো অৱস্থা সেই অৱস্থাত একোৱেই সম্পসাৰন কৰিব নোৱাৰে।

(A Voice ( আলহি )

আমাৰ সদস্যসকলে বাসভৱনৰ কথাত যি পৰামৰ্শ দিছে সেইটো কাৰ্য্যকৰী কৰিবলৈ যত্ন লোৱা হব। আমাৰ এই অসম বিধান সভাত যিমান বিলাক অধ্যক্ষ হৈছে সেইসকলৰ কাৰ্য্যকালৰ যিমান তাৰ ভিতৰত মই দ্বিতীয়। স্বৰ্গীয় Basanta Kr. Das এই বিধান সভাৰ প্ৰথম দীৰ্ঘদিন অধ্যক্ষ আছিল, তাৰ পিচত এই সদনৰ অনুগ্ৰহত ৭ বছৰ ধৰি কাম কৰিছিলো। আৰু সেই কামৰ অভিজ্ঞতাৰ পৰা মই বুজিব পাৰিছিলো এই Hostel ত সচাঁকৈ থাকিবলৈ অসুবিধা। এই কথাটো মই অধ্যক্ষ হিচাবে থাকোতে House-Committe লৈ বিবেচনাৰ কাৰণে পঠাইছিলো আৰু সেইসময়ত কিবা অসুবিধাত সেইটো কাম স্থগিত ৰখা হ'ল। এতিয়া আমাৰ মাননীয়

সদস্য সকলে যি নিৰ্দ্দেশ দিছে চৰকাৰে সেইমতে কাম কৰিবলৈ বাধ্য। আজি শ্ৰীমনেশ্বৰ বড়ো ডাঙৰীয়া যিটো ৰুমতে থকা বুলি কৈছে সেই ঘৰটো বঢ়োৱা ঘৰ। আমাৰ অধ্যক্ষ স্বৰ্গীয় গোস্বামী দেৱ থাকোঁতেই Host-l টোৰ ২টা ৰুম বঢ়োৱা হৈছিল। সেই ৰুম দুটা যথেষ্ট সৰু হৈছে। এইটো ঠিক যে সেইটোত থকাৰ যে অসুবিধা হৈছে সেইটো আমিও অনুভৱ কৰিব পাৰিছো। কিন্তু বড়ো ডাঙৰীয়াই যে তাত থাকি সুখ পাইছে।

( A Voice মইহে জানিছো )

চাৰ, মন্ত্ৰীসকলৰ ওপৰত আৰু এটা অভিযোগ কৰা হৈছে যে, মন্ত্ৰীসকলে অফিচাৰ সকলৰ দ্বাৰা কাম কৰাব পৰা নাই। এইটো অভিযোগ মই মানি লবলৈ মই মান্তি হব নোৱাৰো। কাৰণ মন্ত্ৰীৰ অভিজ্ঞতা বহু দিন হৈছে এই ৮বছৰ মন্ত্ৰীত্বৰ কালত যি খিনি অভিজ্ঞতা পাইছো তাৰ পৰা কওঁ যে, মন্ত্ৰীসকলৰ উচিত কামত কোনেও বাধা নিদিয়ে। চেক্ৰেটেৰী হিচাবে তেখেতলোকে যি মতামত দিব লাগে সেই মতামত দিয়ে, আৰু সাধাৰণতে

তেখেতসকলে যিটো উচিত বুলি ভাৱে সেইটোকে দিয়ে। মন্ত্ৰীসকলে যদি কোনো ক্ষেত্ৰত তাৰ পৰা আঁতৰি যাব খোজে Secy. এ কোনো ক্ষেত্ৰতে মন্ত্ৰীৰ হুকুম নমনা কথা কতো দেখা নাই। মই যেতিয়া Supply Minister আছিলো তেতিয়া Abani Das. নামৰ এজন Supply Secy. আছিল তেখেতে কোনো কথাতেই কোনো মাত-মতা নাছিল। এদিন তেখেতক এটা কথাত কৈছিল যে, এইটো ওলোটা কৰিছে। আপুনি যি কৰে কৰক মই আৰু আলোচনা কৰিও এইটো পৰিবৰ্ত্তন কৰিব নোৱাৰিম। কিন্তু আপুনি যি হুকুম দিয়ে সেই হুকুম মানিবলৈ বাধ্য আছো। তেনে অভিজ্ঞতাৰ পৰাই মই কওঁ যে, Secy. সকলে কেতিয়াও বেলেগে নকৰে। মন্ত্ৰীসকলৰ যি কোনো কাম কৰিবলৈ বা নিৰ্দ্দেশ মানি লবলৈ সদায়েই বাধ্য। কিন্তু তেওঁলোকৰ মাজত কিছু আইন প্ৰণয়ন আছে। আৰু তাৰ ভিতৰত তেওঁলোকে সমিতিৰ ভিতৰতে কিছু কাম কৰে বা কাম পৰিচালনা কৰে। সেইবিলাক কাম সম্পৰ্কত মন্ত্ৰীসকলে হস্তক্ষেপ নকৰে। আৰু

তেনেকুৱা কামত হস্তক্ষেপ কৰাটো উচিত নহয় বুলি ভাবো। আৰু সেইটোত দোষ ধৰাও উচিত নহয়। আমাৰ Shri Giasuddin Ahmed– চাহাবে মন্ত্ৰী সকলৰ চলন ফিৰন আৰু খোৱা লোৱা আদিৰ সম্পৰ্কে আলোচনা কৰিছে। তেখেতে যি বিলাক কথা কৈছে সেইবিলাক কথা মই অস্বীকাৰ কৰিব নোৱাৰো। তেনেকৈ যদি কোনোবা মন্ত্ৰীয়ে কৰে নিশ্চয় সেইটো দুখৰ বিষয়। তেখেতে যদি মোক ভিতৰুৱাকৈ ক'য় তেতিয়াহলে মই তেখেতক জনাই দিব পাৰিম।

(A voice নামটো নাজানে)

চাৰ আমাৰ সদস্য শ্ৰীপিত সিং কোৱৰ ডাঙৰীয়াই এটি কথা কৈছে যে, আমাৰ ৰাজ্যিক মন্ত্ৰী, উপমন্ত্ৰীৰ একো কাম নাই।

(A voice কাম নাই)

বৰ্তমান আমাৰ ৰাজ্যত ৰাজ্যিক মন্ত্ৰী আৰু উপমন্ত্ৰী আছে। এই মন্ত্ৰী সকলৰ ভিতৰত আমাৰ বিভাগ বিলাক ভাগ কৰি দিয়া হৈছে। আৰু তেনেকৈয়ে সেই কাম বিলাক মন্ত্ৰীসকলে কৰে।

Shri Dulal Chandra Barua :—এজন উপমন্ত্ৰী আছে। তেখেতে আহি আমাক আপত্তি কৰে, ফাইল নাহে কি কৰিম।

Shri Mahendra Mohan Chaudhury :—মন্ত্ৰীৰ, ভিতৰতে এজন পূৰ্ণ পৰ্য্যায়ৰ মন্ত্ৰী এজন ৰাজ্যিক মন্ত্ৰী আৰু এজন উপমন্ত্ৰী থাকে।

Shri Dulal Chandra Barua :—মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে আমাৰ যে উপমন্ত্ৰী আছে ইয়াত এগৰাকী উপস্থিত আছেওঁ তেওঁলোকৰ ভিতৰত এগৰাকীয়ে চিলংৰ পৰা দিফুলৈহে সদায় অহা-যোৱা কৰে। অন্যকাম নাই নেকি?

Shri Mahendra Mohan Chaudhury—সেইকাৰণে বেলেগ বেলেগ বিভাগৰ কাৰণে বেলেগ বেলেগ মন্ত্ৰীৰখা হৈছে, সেই বিলাক

পৰিদৰ্শন কৰিবলৈ আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে কৈছে মন্ত্ৰী সকলৰ পোচাক, ভোজনৰ কথা। এই কথাৰ জৱাব দিব নালাগে। কিয়নো আমাৰ মন্ত্ৰীসকলৰ পোচাক আৰু অন্যান্য সদনৰ সদস্য সকলৰ পোচাক আৰু বাহিৰা মানুহৰও পোচাক তুলনাত মন্ত্ৰীসকলে বিবা Foyal dress বা ৰাজ পোচাক হৈছে বুলি কলে মানি লব নোৱাৰিম।

তাৰ পিচত মন্ত্ৰীসকলৰ বচনৰ কথা কৈছে। মন্ত্ৰীসকলৰ বচন বা ভাষা সৰ্ব্বসাধাৰণ মানুহৰ লগত বেলেগ নহয়। গতিকে তাত দোষ ধৰাৰ কাৰণ কি কৱ নোৱাৰো? মন্ত্ৰীসকলে সৰ্ব্বসাধাৰণৰ ভাষাৰে বাহিৰতো কয় আৰু সদনতো কয়। গতিকে ইয়াত কি দোষ ধৰিছে বুজি পোৱা নাই।

তাৰ পিচত মন্ত্ৰীসকলৰ ভোজনৰ কথা উঠিছে। আজি কালি মন্ত্ৰীসকলে যি দৰ্মহা পায় তাৰ পৰা কি ভোজন কৰিব পাৰে সকলোৱে জানে। মোৰ বিশ্বাস সৰ্ব্বসাধাৰণ ৰাইজৰ তুলনাত মন্ত্ৰীসকলৰ ভোজন বেছি নহয়।

তাৰ পিচত discrestionary Fund সম্পৰ্কে কৈছে যে তাৰ ভাগ তেখেত সকলকও দিব লাগে। কিন্তু মন্ত্ৰীসকলৰ ২৭০০ টকা সদনৰ গোটেই বিলাক সদস্যৰ মাজত ভগাই দিয়া সম্ভৱ পৰ নহয়। মন্ত্ৰীসকললৈ পইচা যোৱাৰ লগে লগে দৰ্খাস্তৰ সংখ্যা ইমান বেছি হয় যে ভগাবলৈ টকা নোহোৱা হয়। গতিকে তেওঁলোকক আবাশ বাণী বা শান্তি বাণী শুনোৱাত বাহিৰে মন্ত্ৰী সকলৰ অন্য উপায় নাই। তাৰ পিচত আমাৰ মাননীয় সদস্য শ্ৰীমনেশ্বৰ বড়ো ডাঙৰীয়াই কৈছে যে মই তাত ভ্ৰমণ কৰিবলৈ যাওতে সেই ঠাইত পানীৰ অভাৱ পাই পানীকল দিম বুলি কৈছিলো। কিন্তু পানীকল বিলাকৰ পঞ্চায়তৰ যোগেদিহে দিয়া হয়। গতিকে তেখেত আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাৱে আঞ্চলিক পঞ্চায়তত এই কথাটো ডাঙি ধৰা উচিত। চৰকাৰে পোন পটিয়া ভাৱে কাকো পানীকল দিব নোৱাৰে গতিকে এই খিনি কোৱাৰ পিচত মই আশা কৰো কৰ্ত্তন প্ৰস্তাৱটো তুলি লব আৰু আমাৰ ডিমাণ্ডটো গ্ৰহণ কৰিব।

Shri Maneswar Boro :—পঞ্চায়তে কৰিব পাৰে। কিন্তু আঞ্চলিক

পঞ্চায়তে মাত্ৰ ১০০/২০০ টকাহে দিব পাৰে। কিন্তু সেই টকাৰে গোটেই খিনি কাম হব নোৱাৰে।

Shri Mahendra Mohan Chaudhury :— এই কথাটো মাননীয় সদস্যই Public Health ৰ বিভাগীয় মন্ত্ৰী মহোদয়ক কব পাৰে।

Shri Kamini Mohan Sarma— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো যে মন্ত্ৰী মহোদয় সকলে যি আশ্বাশ দিয়ে সেই আশ্বাস প্ৰতিশ্ৰুতি নহয় নেকি? আৰু সেই আশ্বাসক বাইজে বিশ্বাস কৰিব নালাগে নেকি?

Mr. Speaker :—Then I put the Cut Motion.

The question is that the total provision of Rs. 19,08,100 under Grant No.10 Major Head" 19-General Administration-( I-Head ot States and Ministers)", at pages 45-50 of the Budget be reduced by Rs. 1 i. e. the amount of the whole grant of Re. 19,08,100 do stand reduced by Re. 1.

( Division )

Ayes—

Shri Atul Chandra Goswami
Md. Azad Ali
Shri Benoy Krishna Ghose
Shri Dulal Chandra Barua
Shri Gaurisankar Bhattacharyya
Shri Giasuddin Ahmed
Shri Jalal Uddin Ahmed
Shri Kabir Chandra Roy Pradhani
Shri Kamini Mohan Sarma
Shri Lakshya Dhar Chaudhury
Shri Maneswar Boro
Shri Mohidhar Pegu
Shri Phani Bora
Shri Pitsing Konwar
Shri Shahadat Ali Jotder
M. Shamsul Huda
Shri Soneswar Bora
Shri Zahirul Islam

Noes—

Shri Abdul Matlib Mazumdar
Shri Azizur Rahman Choudhury
Shri Ataur Rahman
Dr. Bhumidhar Barman
Shri Bishnulal Upadhyaya
Shri Biswadev Sarma
Shri C.G Karmakar
Shri Devendra Nath Hazarika
Shri Dharanidhar Choudhury
Shri Durgeswar Saikia
Shri Govinda Chandra Bora
Shri J. B. Hagjer
Shri Jadu Nath Bhuyan
Shri Jogen Saikia
Shri Kamakhya Prasad Tripathi
Shri Lakshmi Prasad Goswami
Shrimati Lily Sen Gupta
Shri Mahendra Mohan Choudhury
Shri Mahendra Nath Hazarika
Shri Malia Tanti
Shri Manik Chandra Das
Shri Mathius Tudu
Shri Nakul Chandra Das
Shri Narendra Nath Sarma
Shrimati Padma Kumari Gohain
Shri Paramananda Gogoi
Shri Prabin Kumar Choudhury
Shri Prabhat Narayan Choudhury
Shri Prafulla Choudhury
Shri Pranita Talukdar
Shrimati Pushpalata Das
Shri Pushpadhar Chaliha
Shri Ramesh Chandra Barooah
Shri Ranendra Basumatari
Shri Ratneswar Konger
Shri Sadhan Ranjan Sarkar
Shri Sai Sai Terang
Shri Sarat Chandra Goswami
Shri Satindra Mohon Dev
Shri Surendra Nath Das
Shri Syed Ahmed Ali
Shri Tilok Gogoi
Shri Upendra Nath Sanatan

Mr. Speaker : Ayes : 18

Noes : 43 The Cut Motion is lost. Now, I put the main grant that a sum of Rs. 19,08,100 ( Rupees nineteen lakhs, eight thousand and one hundred ) only be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "19-General Administration ( I Heads of States anb Ministers )"

(The motion was adopted)

The Grant is passed.

Demand No. II— "19—General Administration—( II—Secretaraiat and Attached Officcs )".

Shri Mahendra Mohan Choudhury ( Mihister ) Parlimentary Affairs ) On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 89, 78,800 be granted to the Minister-in-charge-to defray the charges will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "19-General Administration ( I I-Secretariat and Attached Offices ) '.

( Voice from the Opposition Benchwe moved the Cut motion )

M. Shamsul Huda—বাজেটত ৫১ পৃষ্ঠাৰ ১ নম্বৰত লিখা আছে অফিচাৰ সকলৰ দৰ্মহাৰ নিৰিখ। তাত দিয়া হৈছে ১৮,১৫,৯০০ টকা।

Allowarce and Horourium ৰ কাৰণে ২০,৪৯ ০০০টকা দিয়া হৈছে বুলি লিখা হৈছে। আকৌ তাৰ লগতে বাজেটত Contingency ত ৭৫,০০০ টকা ধৰা হৈছে ভ্ৰমণ বানচ আৰু অন্যান্য পৰিমাণ বেচি। Contirgercy ৰ কাৰণে প্ৰায় শতকৰা ৮ ভাগ টকা ধৰা হৈছে। এইটো unscrupulous; এইটো কৰা উচিৎ হোৱা নাই।

আজি Secretariat ত যি সকল কৰ্ম্মচাৰী আছে সেই সকলৰ ভিতৰত প্ৰায় আটাই খিনিয়েই হৈছ I. A. S. অফিচাৰ। আজি ওপৰত গভৰ্ণৰৰ তলতে I. A S অফিচাৰ সকল। অফিচাৰ সকলৰ মাজৰ পৰা আজি বাস্তৱতে যিটো পৰিস্থিতি হৈছে তাৰ দ্বাৰা এই চৰকাৰটো আজি কেন্দ্ৰীয় চৰকাৰৰ পুতলা হৈ পৰিছে। এই পুতলা চৰকাৰ পৰিচালনাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে পঠোৱা যি সকল I. A.S. অফিচাৰ তেওঁ বিলাকৰ প্ৰায় ভাগে অনভিজ্ঞ লোক আছে। এই সম্পৰ্কে মই বেচি কব নোখোজো। কিন্তু তেওঁ লোকৰ এটা নিজস্ব বিবেচনা থকা উচিৎ। লক্ষ্য কৰিলে আপোনালোক সকলোৱে দেখিব যে Finance Accounts ত ৩২ জন বিষয়া আছে। Finance বিভাগত উপদেশ দিবৰ কাৰণে Finance Department ত ৩২ জন under Secretary ৰাখিব লগীয়া হৈছে। আৰু ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি বিলাক I. A. S অফিচাৰ পঠাইছে তেওঁলোকক Accomodate কৰিবৰ কাৰণে আমাৰ দুৰ্বল ৰাজ্য চৰকাৰে টপৰাই বিনা প্ৰতিবাদে সিদ্ধান্ত লৈছে। I. A. S. Officer ৰ ক্ষেত্ৰত পশ্চিমবঙ্গ চৰকাৰক কি কৰিছে। সিদিনা নতুন কৈ জন্ম হোৱা নগালেণ্ড চৰকাৰে এই কেন্দ্ৰীয় চৰকাৰৰ I. A. S. Officer ক প্ৰত্যাখান কৰিলে, কেৰেলা চৰকাৰে প্ৰত্যাখান কৰিলে। আন কি যি মাদ্ৰাজত আটাইতকৈ অধিক I. A. S. অফিচাৰ উৎপাদন কৰে, সেই মাদ্ৰাজ চৰকাৰতেই তেওঁলোকক নেলাগে বুলি পুনৰ কেন্দ্ৰীয় চৰকাৰলৈফিৰাই দিছে। আনহাতে আকৌ এটা কথা চাব লাগে যে,—১১৮ জন I. A. S. অফিচাৰ সকলৰ ভিতৰত ৯৫ জন Senior Seale ত আছে; ই নিয়মৰ বাহিৰত; ইমান পৰিমান I. A. S. Officer Senior Seale ত ৰখা উচিত নহয়।

কিন্তু এই নিয়ম চৰকাৰে মানি চলা নাই। ইয়াৰ অৰ্থ হলযে এই চৰকাৰে

কেন্দ্ৰীয় চৰকাৰক সন্তুষ্ট কৰিবৰ কাৰণে তেওঁলোকক Senior Seale ত ৰখা হয়। সিদিনালৈকে, Mr. Trivedy ক accommodate কাৰণে Special Secretary কৰি ৰখা হৈছিল; কিন্তু তেওঁ কেন্দ্ৰীয় চৰকাৰৰ তলত গৈ revert হৈ Joint Secretary হে হৈছে। গতিকে, দেখা যায় I. A. S. Officer পঠালেই ৰাজ্য চৰকাৰ অস্থিৰ হৈ যায়; মূৰতে ৰাখিব নে ক'ত ৰাখিব তৎ নোপোৱা হয়। আমি দেখিছো পশ্চিম বঙ্গত I. A. S. অফিচাৰে ২৫।২৬ বছৰ চাকৰি কৰিও, ডাড়ি চুলি পকি যোৱাৰ পিচতো Promotoin নেপায়। গতিকে মই কব খুজিছোঁ যে, আমাৰ ৰাজ্যত ইমান I. A. S. অফিচাৰ ৰখাৰ কাৰণে A. C. S. কৰ্ম্মচাৰী সকলৰ মাজত বিক্ষোভে দেখা দিছে। আমাৰ ইয়াত এজন X-Cadre I. A. S. আহি ৪।৫ বছৰৰ ভিতৰতে Senior I. A. S. হৈ যায়। অথচ আমাৰ ৰাজ্যত ১৫ বছৰ কাম কৰা এজন A. C. S. ও Promotion নেপায়। Joint-Secretary under Secretary পদটো আমাৰ A. C. S. ক নিদি এজন I. A. S. ক দিয়া হয়। সেই কাৰণে প্ৰশাসনিক ক্ষেত্ৰত বিসঙ্গতি দেখা গৈছে। আৰু এজন A. C. S- অফিচাৰে Promotoin পাবৰ কাৰণে আন এজনৰ মৃত্যু বা Retirement লৈ বাট চাই থাকিব লাগে।

গতিকে এই চৰকাৰে অন্ততঃ শতকৰা ৫০ ভাগ A. C. S. ক Promotion দি I. A. S. কেদাৰলৈ আনিব লাগে। আমাৰ এজন চাকৰিয়ালক নিয়োগ কৰিবৰ কাৰণে Finance এ Approval নিদিয়ে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এজন I. A. S. ক নিয়োগ কৰাৰ ক্ষেত্ৰত Finance Depart ment এ কোনো প্ৰকাৰৰ বাধা নিদিয়ে;। তৎক্ষনাৎ Sanction দিয়ে। এইদৰে ৰাজ্যৰ A. C. S. অফিচাৰে Seniority নোপোৱাৰ কাৰণে স্বাভাবিকতে বিক্ষোভৰ সৃষ্টি হৈছে। সেই কাৰণে মই এই দাবীটোৰ ঘোৰ বিৰোধীতা কৰিছো। চৰকাৰে যেন বাহিৰৰ পৰা I. A. S. আমাৰ ক্ষেত্ৰত যাতে এতিয়াৰ পৰা সতৰ্কতা অৱলম্বন কৰে। আৰু ৰাজ্যৰ A. C. S. ৰ শতকৰা ৫০ ভাগক যেন Promotoin দিয়া হয় তাৰ বাবে দাবী জনাই মই কৰ্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিলো।

Shri Atul Ch. Goswami:—Secretariat আৰু Attached Official ৰ কাৰণে যি ব্যৱস্থা লৈছে তাৰ পৰা মই "চেক্ৰেটৰিয়েট বুলিহে কৰ পাৰো অৰ্থাৎ চক্ৰেৰে বা চতুৰতাৰে তাৰণ কৰাৰ ব্যৱস্থা হে ইয়াত হব ধৰিছে। চৰকাৰৰ মিতব্যয়ীতাৰ শিক্ষা গ্ৰহন কৰা নাই। চৰকাৰে ৯৯ লাখ ৭৮ হাজাৰ টকা I.A.S. Officer সকলৰ কাৰণে বিচাৰিছে। কিন্তু মিতব্যয়ীতাৰ যি প্ৰচেষ্টা কৰিব লাগে সেইটো হোৱা নাই। সেই কাৰণে এই অৰ্থনৈতিক দুৰৱস্থা আমাৰ বাঢ়ি আহিছে।

